৬ষ্ঠ বৰ্ষ, সংখ্যা ১৯

১-১৫ এপ্ৰিল, ২০২৬

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ



ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস বিশেষ - ৫ এপ্ৰিল

## মহাসাগৰসমূহ সুযোগৰ সেতু হৈ পৰিছে

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সমৃদ্ধিৰ বাবে বন্দৰ', 'প্ৰগতিৰ বাবে বন্দৰ' আৰু 'উৎপাদনশীলতাৰ বাবে বন্দৰ'ৰ দৃষ্টিভংগীয়ে ভাৰতীয় সামুদ্ৰিক খণ্ডক এক পৰিৱৰ্তনশীল যুগলৈ আগুৱাই লৈ গৈছে।

ই-কপিৰ বাবে

উৎকল দিৱস: ১ এপ্রিল

# ওড়িশাৰ ইতিহাস, সাহিত্য আৰু সংগীতক লৈ ভাৰত গৌৰৱান্বিত

ওড়িশাই ১ এপ্রিলত ৯০ সংখ্যক প্রতিষ্ঠা দিৱস উদযাপন কৰে, যিটো উৎকল দিৱস হিচাপে জনাজাত। ১৯৩৬ চনৰ এই দিনটোতেই ভাষা ভিত্তিক ভাৱে তৎকালীন বিহাৰ, মাদ্রাজ প্রেচিডেন্সী আৰু সংযুক্ত বেংগলৰ কিছু অংশ পৃথক কৰি “উৰিষ্যা (Orissa)” গঠন কৰা হৈছিল। সেই সময়ৰ পৰা এই দিনটোত ৰাজ্যখনে ‘উৰিষ্যা দিৱস’ উদযাপন কৰি আহিছে। ২০১১ চনত ইয়াৰ নামটো উৰিষ্যাৰ পৰা সলনি কৰি ‘ওড়িশা’ কৰা হৈছিল। সম্রাট অশোকে অহিংসাৰ বার্তা প্রচাৰ কৰা এই ভূখণ্ডই স্বাধীনতা সংগ্ৰামতো উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। ভগৱান জগন্নাথৰ এই পবিত্র ভূমিৰ ইতিহাস, সাহিত্য, আৰু সংগীতক লৈ ভাৰত গৌৰৱান্বিত...




“উৎকল দিৱসৰ শুভেচ্ছা জনালোঁ। এইয়া আমাৰ জাতিৰ প্রগতিৰ ক্ষেত্রত ওড়িশা, ওডিয়া জনগোষ্ঠী আৰু সংস্কৃতিৰ চহকী ভূমিকাক স্বীকাৰ কৰাৰ দিন। আগন্তুক বছৰসমূহত ওড়িশাৰ জনসাধাৰণে সু-স্বাস্থ্য আৰু সমৃদ্ধি লাভ কৰক।”

*নৰেন্দ্ৰ মোদী, প্ৰধান মন্ত্ৰী*



# নিউ ইণ্ডিয়া সমাচাৰ

ষষ্ঠ বৰ্ষ, সংখ্যা ১৯, এপ্ৰিল ১-১৫, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...




**প্ৰচ্ছদ নিবন্ধ**

ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস (৫ এপ্ৰিল) উপলক্ষে আহক আমি অন্বেষণ কৰোঁ, বিগত ১১ বছৰত ভাৰতে বিশ্বৰ আগশাৰীৰ সামুদ্ৰিক শক্তিসমূহৰ ভিতৰত উল্লেখযোগ্য শক্তি হোৱাৰ দিশত কিদৰে বিশাল অগ্ৰগতি লাভ কৰিছে। এই প্ৰচেষ্টাসমূহে ২০৪৭ চনৰ ভিতৰত সামুদ্ৰিক খণ্ডত প্ৰায় আঠ ট্ৰিলিয়ন টকাৰ বিনিয়োগ আকৰ্ষণ কৰাৰ লগতে প্ৰায় ১৫ মিলিয়ন নতুন চাকৰিৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে... |১২-২৭

**উন্নয়নৰ নতুন যুগ...**

ভাৰত পৰৱৰ্তী স্তৰলৈ উন্নীত হৈছে

আইটিভি নেটৱৰ্কৰ এনএক্সটি সন্মিলন' ত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণ |৮-১১




সংক্ষিপ্ত সংবাদ |৪-৫

ব্যক্তিত্ব: বাবু জগজীৱন ৰাম
সেই ব্যক্তিগৰাকী যিজনে পাকিস্তানক এক কঠোৰ আঘাত হানিছিল |৭

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ মূল সিদ্ধান্তসমূহ
জেজেএম২.০; ৩টা ডাঙৰ প্ৰকল্পৰ অনুমোদন জনোৱা হৈছে |২৮-২৯

দিল্লী এটা নতুন যুগৰ আৰম্ভণিৰ সাক্ষী হ'ল
প্ৰধানমন্ত্ৰী মোদীয়ে উন্মোচন কৰিলে ৩৩,৫০০ কোটি টকাৰ প্ৰকল্প |৩০-৩১

হাৰৌতিৰ আকাংক্ষাক গতি প্ৰদান
প্ৰধানমন্ত্ৰী মোদীয়ে কোটা বিমানবন্দৰৰ আধাৰশিলা স্থাপন কৰিলে |৩২-৩৩

কেৰেলাম আৰু তামিলনাডুৰ আন্তঃগাঁথনি বৃদ্ধি
প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিলে ১৬,৪৫০ কোটি টকাৰ প্ৰকল্প |৩৪-৩৫

'বাজেট': য়ে জনতাৰ আকাংক্ষা বাস্তৱত ৰূপান্তৰিত কৰিছে
তৃতীয় আৰু চতুৰ্থ বাজেট ৱেবিনাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণ প্ৰদান |৩৬-৩৭


**পিএম মুদ্ৰা, ই-নাম, আৰু ইউপিআই**

**অৰ্থনৈতিক নিৰাপত্তাৰ এক শক্তিশালী বেহু**



পিএম মুদ্ৰা, ই-নাম, আৰু ইউপিআইৰ বৰ্ষপূৰ্তি |৩৮-৪০




বাবাচাহেব ড° ভীমৰাও আম্বেদকাৰৰ নীতি আৰু আদৰ্শই আত্মনিৰ্ভৰশীল আৰু উন্নত ভাৰত নিৰ্মাণ কাৰ্য্যক শক্তিশালী আৰু ত্বৰান্বিত কৰাৰ কাম কৰে..." ১৪ এপ্ৰিলৰ বাবাচাহেবৰ ১৩৬ সংখ্যক জন্ম জয়ন্তীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শ্ৰদ্ধাঞ্জলি পৃষ্ঠা - ৬


**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail : response-nis@pib.gov.in, RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

# সাগৰৰ পৰা সমৃদ্ধি

## ভাৰত ক্ৰমান্বয়ে বিশ্বৰ সামুদ্ৰিক শক্তিৰ নেতৃত্ব বহনৰ দিশে অগ্ৰসৰ হৈছে

নমস্কাৰ,

ভাৰতৰ গৌৰৱময় সামুদ্ৰিক ঐতিহ্যৰ এক অতি বিশাল আৰু চহকী ইতিহাস আছে। চোলা আৰু মৰাঠা যুগত, সামুদ্ৰিক ব্যৱসায় আৰু নৌসেনাৰ দক্ষতাই ভাৰতৰ সমৃদ্ধিত বিশেষ ভূমিকা পালন কৰিছিল। এই ঐতিহাসিক পৰম্পৰাৰ পৰা প্ৰেৰণালৈ, ভাৰতে আজিৰ দিনত নিজৰ সামুদ্ৰিক খণ্ডক আধুনিক বিকাশৰ নতুন পৰ্যায়লৈ লৈ গৈছে। প্ৰায় ১১,০০০ কিলোমিটাৰৰ উপকূল ৰেখা আৰু বিশ্ব সামুদ্ৰিক পৰিবহণ পথৰ কৌশলগত অৱস্থান সংযোগ থকা ভাৰতৰ বিশাল সম্ভাৱনা আছে। ভাৰতৰ ১২টা প্ৰধান বন্দৰ আৰু ২১৭টা অন্যান্য বন্দৰসমূহেই হৈছে সামুদ্ৰিক পৰিবহণৰ ক্ষেত্ৰত আজি পৰ্যন্ত অৰ্থনীতিৰ মূল জীৱনীশক্তি।

কিন্তু প্ৰায় এটা দশক আগলৈকে এই খণ্ডই প্ৰাচীন আইন, সীমিত ক্ষমতা আৰু মন্থৰ আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে যুঁজ অব্যাহত ৰাখিছিল। বন্দৰৰ ক্ষমতা, জাহাজ নিৰ্মাণ, জলপথ সম্প্ৰসাৰণৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব নিদিয়াৰ বাবে দেশৰ বিশাল সামুদ্ৰিক সম্ভাৱনা সম্পূৰ্ণ ৰূপে উপলব্ধি কৰিব পৰা হোৱা নাছিল। যোৱা ১১ বছৰত এই খণ্ডত এক উল্লেখযোগ্য পৰিৱৰ্তন হৈছে: থলুৱা জাহাজ নিৰ্মাণৰ কাম ত্বৰান্বিত হৈছে, বন্দৰৰ ক্ষমতা দুগুণ হৈছে, আৰু জাহাজবোৰৰ অপেক্ষা কৰা সময় হ্ৰাস পাইছে। সাগৰমালা কাৰ্যসূচীয়ে বন্দৰসমূহৰ আধুনিকীকৰণ, সংযোগ বৃদ্ধি, আৰু উপকূলীয় সম্প্ৰদায়সমূহৰ উন্নয়নক লাভান্বিত কৰি তুলিছে। 'মেৰিটাইম ইণ্ডিয়া ভিজন ২০৩০'ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ভাৰতক বিশ্বৰ আগশাৰীৰ সামুদ্ৰিক আৰু জাহাজ নিৰ্মাণ ৰাষ্ট্ৰসমূহৰ ভিতৰত স্থান দিবলৈ অদম্যভাৱে কাম কৰি আছে।

ইয়াৰ পৰা বুজা যায় যে ভাৰতে সাগৰৰ পৰা ক্ৰমাগতভাৱে সমৃদ্ধিৰ দিশলৈ আগবাঢ়িছে; সেয়েহে ৫ এপ্ৰিলত - ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস পালন কৰা হয় - ভাৰতৰ সামুদ্ৰিক শক্তিৰ পুনৰুত্থানৰ কাহিনীয়ে এই সংখ্যাৰ প্ৰচ্ছদ নিবন্ধ হিচাপে স্থান পাইছে।

ব্যক্তিত্ব শাখাত, বাবু জগজীৱন ৰামৰ বিষয়ে পঢ়ক। ১৪ এপ্ৰিল বাবাচাহেব আম্বেদকাৰৰ জন্মদিনত এক কৃতজ্ঞ ৰাষ্ট্ৰৰ শ্ৰদ্ধাঞ্জলি, কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সিদ্ধান্তসমূহ, অৰ্থনৈতিক সুৰক্ষা ব্যৱস্থা হিচাপে মুদ্ৰা, ই-নাম, আৰু ইউপিআই, লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পযেকীয়া কাৰ্যসূচী আদি হৈছে অন্যান্য উল্লেখযোগ্য বিষয়বস্তু।

লগতে এই সংখ্যাৰ অংশ হিচাপে ভিতৰৰ পৃষ্ঠাত ১ এপ্ৰিলত উৎকল দিৱস উদযাপন, আৰু পিছফালৰ পৃষ্ঠাত দেশত ক্ৰমাৎ বৃদ্ধি পোৱা চিতা বাঘৰ সংখ্যাৰ বিষয়ে উল্লেখ কৰা হৈছে।

আপোনালোকৰ পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।



(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স






### ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ বাবে তথ্যৰ উৎকৃষ্ট উৎস

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ জৰিয়তে বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উন্নয়ন সম্পৰ্কে অন্তৰ্দৃষ্টি লাভ কৰা হয়। বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ ক্ষেত্ৰত ই এক মূল্যৱান সমল হিচাপে কাম কৰে। এজন শিক্ষক হিচাপে মই নিজকে তথ্যসমূহৰ বিষয়ে অৱগত হৈ থকাত সহায় কৰি আহিছে। আমি আমাৰ ছাত্ৰ-ছাত্ৰী সকলকো আলোচনীখন পঢ়িবলৈ উৎসাহিত কৰোঁ; তেওঁলোকেও প্ৰতিটো নতুন সংখ্যাৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰে। সমগ্ৰ নিউ ইণ্ডিয়া সমাচাৰ দললৈ মোৰ আন্তৰিক ধন্যবাদ।

ধনঞ্জয় কুমাৰ যাদৱ
dhananjaybhu07@gmail.com

### সকলো খণ্ডৰ উন্নয়নৰ সঠিক তথ্য

মই নিউ ইণ্ডিয়া সমাচাৰ ডিজিটেলভাৱে অনুসৰণ কৰো আৰু প্ৰতিটো লেখা মনোযোগেৰে পঢ়ো। প্ৰধান বাতৰি কাকতসমূহৰ তুলনাত এই আলোচনীখনে পাঠকসকলক প্ৰকল্প, আন্তঃগাঁথনি, অসংগঠিত খণ্ডৰ বাবে সামাজিক সুৰক্ষা, আৰু অনুৰূপ বিষয়সমূহৰ সম্পৰ্কে বিশদ তথ্য প্ৰদান কৰে। মই আলোচনীখনক উৎকৃষ্ট বুলি বিবেচনা কৰোঁ, ই মোক ভালদৰে আপডেট হৈ থাকিবলৈ সহায় কৰে।

sourabh.iimc@gmail.com

### ইউপিএছচিৰ বাবে ফলপ্ৰসূ; কিতাপ হিচাপে উপলব্ধ হ'ব লাগে

যোৱা এবছৰ ধৰি মই নিয়মিতভাৱে নিউ ইণ্ডিয়া সমাচাৰ পঢ়ি আহিছো। আলোচনীখন মোৰ ইউপিএছচি প্ৰস্তুতিৰ বাবে অত্যন্ত উপযোগী বুলি প্ৰমাণিত হৈছে, কিয়নো ই মোক সাম্প্ৰতিক পৰিস্থিতিৰ লগতে বিভিন্ন চৰকাৰী কাৰ্যসূচী আৰু আঁচনি সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰাত সহায় কৰে। মোৰ মতে এই আলোচনীখন যদি কিতাপৰ ৰূপত সকলোৰে বাবে উপলব্ধ কৰা হয় তেন্তে সেয়া উৎকৃষ্ট হ'ব।

kaluvakavyalu@gmail.com

### প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে গুৰুত্বপূৰ্ণ

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীয়ে উপযোগী আৰু নিৰ্ভৰযোগ্য তথ্য প্ৰদান কৰে। তদুপৰি ইয়াৰ প্ৰবন্ধসমূহ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে অতি উপযোগী। প্ৰকাশিত প্ৰতিটো বাতৰি তথ্যৰে ভৰপূৰ। "ব্যক্তিত্ব" শিতানত উল্লেখ কৰা জাতীয় নায়কসকলৰ কাহিনী, য'ত তেওঁলোকৰ অৱদানক বিশেষভাৱে তুলি ধৰা হয়, সেইবোৰ আটাইতকৈ উল্লেখযোগ্য বুলি মই বিবেচনা কৰোঁ।

prof.prema@gmail.com

### প্ৰতিটো সংখ্যাতে শিকিবলগীয়া নতুন কিবা এটা থাকে

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ প্ৰতিটো সংখ্যাই শিকিবলৈ নতুন কিবা এটা আগবঢ়ায়। প্ৰতিটো সংখ্যাই ভাৰত চৰকাৰৰ বিভিন্ন আঁচনি সম্পৰ্কে বিস্তৃত তথ্য প্ৰদান কৰে। এই আলোচনীখনৰ জৰিয়তে সমগ্ৰ দেশতে বৰ্তমান চলি থকা উন্নয়নমূলক কাম-কাজৰ বিষয়ে অৱগত হৈ থাকিব পাৰিছো। দেশপ্ৰেমেই হওক বা পৰিৱেশ বিষয়ক হওক, প্ৰতিটো সংখ্যাই এই বিষয়বস্তুবোৰ সম্পৰ্কে কিবা নহয় কিবা সতেজ আৰু নতুনকৈ উপস্থাপন কৰিছে।

sjknews11@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003

E-Mail: response-nis@pib.gov.in




## পিএম-কিষান সন্মান নিধি

### ২২ নং কিস্তি মুকলি কৰা হৈছে: ৪.২৭ লাখ কোটি টকা ৭ বছৰৰ ভিতৰত কৃষকৰ একাউণ্টলৈ স্থানান্তৰ কৰা হৈছে

বিগত ১১ বছৰে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে দেশৰ কৃষকসকলৰ বাবে এক শক্তিশালী সুৰক্ষা চক্ৰ প্ৰদানৰ বাবে অহৰহ কাম কৰি আহিছে। আনকি আন্তঃৰাষ্ট্ৰীয় সংকটৰ মাজতো কৃষি আৰু কৃষি কাৰ্য্যকলাপ যাতে অপ্ৰভাৱিত হৈ থাকে তাৰ বাবে এমএছপি, সুলভ মূল্যৰ ঋণ, আৰু শস্য বীমাৰ দৰে ব্যৱস্থাৰ জৰিয়তে প্ৰচেষ্টা চলি আছে। যোৱা ১০ বছৰত কৃষকসকলে ন্যূনতম সহায়ক মূল্য (MSP) ৰূপত ২০ লাখ কোটিৰো অধিক ধন লাভ কৰিছে। যোৱা ১০ বছৰত কৃষকসকলে ন্যূনতম সহায়ক মূল্য (MSP) ৰূপত ২০ লাখ কোটিৰো অধিক ধন লাভ কৰিছে। কৃষকক সবলীকৰণ কৰাৰ লক্ষ্যৰে এই ধাৰাবাহিক পদক্ষেপ অব্যাহত ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৩ মাৰ্চত প্ৰধানমন্ত্ৰী কিষান সন্মান নিধিৰ ২২ সংখ্যক কিস্তি হিচাপে ৯.৩২ কোটি কৃষকৰ একাউণ্টলৈ ১৮,৬৪০ কোটিতকৈ অধিক ধন পোনপটীয়াকৈ হস্তান্তৰ কৰে। এই ২২ সংখ্যক কিস্তিৰ হিতাধিকাৰীৰ ভিতৰত আছে ২.১৫ কোটি মহিলা কৃষক। বিশ্বৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভ হস্তান্তৰ (ডিবিটি) আঁচনি হিচাপে আত্মপ্ৰকাশ কৰা পিএম-কিষান সন্মান নিধিৰ অধীনত-ইতিমধ্যে মুঠ ৪.২৭ লাখ কোটি টকাতকৈ অধিক ধন কৃষকলৈ হস্তান্তৰ কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰতিটো যোগ্য কৃষক পৰিয়ালে বছৰি ৬,০০০ টকাৰ আৰ্থিক সাহায্য লাভ কৰে, যিটো তিনিটা সমান কিস্তিত প্ৰদান কৰা হয়। এই সম্পৰ্কে প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "আজি সন্মান নিধি আঁচনিখন দেশৰ ক্ষুদ্ৰ কৃষকৰ বাবে সামাজিক সুৰক্ষাৰ বাহন হৈ পৰিছে।"

### লোকপিয়ল-২০২৭ৰ শুভংকৰ উন্মোচন: 'প্ৰগতি' (মহিলা) আৰু 'বিকাশ' (পুৰুষ)

কেন্দ্ৰীয় গৃহ পৰিক্ৰমা আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া বিশ্বৰ সৰ্ববৃহৎ লোকপিয়ল-২০২৭ৰ বাবে চাৰিটা ডিজিটেল সঁজুলি মুকলি কৰাৰ লগতে শুভংকৰ উন্মোচন কৰে। শুভংকৰ 'প্ৰগতি' আৰু 'বিকাশ'ক বন্ধুত্বপূৰ্ণ আৰু মানুহৰ ওচৰ চাপিব পৰা প্ৰতীক হিচাপে প্ৰৱৰ্তন কৰা হৈছে। তদুপৰি এই শুভংকৰসমূহে ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ ৰাষ্ট্ৰীয় সংকল্প পূৰণৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ সম অংশগ্ৰহণৰ প্ৰতীক হিচাপে কাম কৰে। পোন প্ৰথমবাৰৰ বাবে ডিজিটেল পদ্ধতিৰে লোকপিয়ল কৰা হ'ব। ইয়াৰ উপৰিও প্ৰথমবাৰৰ বাবে 'স্ব-গণনা'ৰ বিকল্পও প্ৰদান কৰা হৈছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ত ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৬ চনৰ ৩০ ছেপ্টেম্বৰৰ ভিতৰত হাউছ-লিষ্টিং আৰু হাউছিং লোকপিয়ল কৰা হ'ব; দ্বিতীয় পৰ্যায়ত জনসংখ্যা গণনা-২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত সমগ্ৰ ভাৰতত আয়োজন কৰা হ'ব।



### নয়ডা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰে লাভ কৰিছে অনুজ্ঞাপত্ৰ

উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰৰ জেৱৰত অৱস্থিত নয়ডা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ বাবে যমুনা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ প্ৰাইভেট লিমিটেডক অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে বিমানবন্দৰৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিছে। এই বিমানবন্দৰটোক 'ৰাজহুৱা ব্যৱহাৰ' শ্ৰেণীৰ অধীনত ২৪ ঘণ্টীয়া, সকলো-বতৰত ব্যৱহাৰৰ বাবে অনুমোদিত কৰা হৈছে। এই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰটো ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব (পিপিপি) আৰ্হিৰ অধীনত গঢ়ি তোলা হৈছে। নয়ডা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰক চাৰিটা পৰ্যায়ত মাল্টি-মডেল কাৰ্গো হাব হিচাপে গঢ়ি তোলা হৈছে। প্ৰথম পৰ্যায়ত এটা ৰাণৱে আৰু এটা টাৰ্মিনেল নিৰ্মাণ কৰা হৈছে। এই পৰ্যায়ত বিমানবন্দৰটোৱে বাৰ্ষিক প্ৰায় ১ কোটি ২০ লাখ যাত্ৰীক চম্ভালিব পৰা ক্ষমতা লাভ কৰিব। সকলো পৰ্যায় সম্পূৰ্ণ হ'লেই বিমানবন্দৰটোৱে বছৰি প্ৰায় ৭ কোটি যাত্ৰীক চম্ভালিব পাৰিব। ফলস্বৰূপে ই ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল আৰু পশ্চিম উত্তৰ প্ৰদেশৰ বাবে এক প্ৰধান বিমান কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিব।





## পদ্ম বঁটা-২০২৭ৰ বাবে মনোনয়ন

পদ্ম বঁটা-২০২৭ৰ বাবে মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। মনোনয়নৰ অন্তিম তাৰিখ ২০২৬ চনৰ ৩১ জুলাই। এই মনোনয়ন বা পৰামৰ্শ ৰাষ্ট্ৰীয় বঁটা পৰ্টেল: https://awards.gov.inৰ জৰিয়তে অনলাইনযোগে গ্ৰহণ কৰা হ'ব। সৰ্বোচ্চ অসামৰিক সন্মানৰ ভিতৰত স্থান লাভ কৰা পদ্ম বঁটাত আছে পদ্ম বিভূষণ, পদ্ম ভূষণ, আৰু পদ্মশ্ৰী বঁটা। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজ কৰ্ম, বিজ্ঞান আৰু অভিযান্ত্ৰিক, জনসংযোগ, অসামৰিক সেৱা, বাণিজ্য আৰু উদ্যোগ আদি বিভিন্ন ক্ষেত্ৰত বিশিষ্ট আৰু ব্যতিক্ৰমী কৃতিত্বৰ স্বীকৃতি স্বৰূপে এই বঁটা প্ৰদান কৰা হয়। চিকিৎসক আৰু বিজ্ঞানীক বাদ দি ৰাজহুৱা খণ্ডৰ উদ্যোগ (পিএছইউ)ত কাম কৰা কৰ্মীকে ধৰি চৰকাৰী কৰ্মচাৰীসকল-পদ্মা বঁটাৰ বাবে যোগ্য নহয়। পদ্ম বঁটাক 'জনতাৰ পদ্ম' (জনতা কা পদ্ম)লৈ ৰূপান্তৰিত কৰাৰ প্ৰতিশ্ৰুতিৰে কেন্দ্ৰীয় চৰকাৰে সকলো নাগৰিককে স্ব-মনোনয়নকে ধৰি মনোনয়ন/পৰামৰ্শ দাখিল কৰিবলৈ আহ্বান জনাইছে। এই বঁটাসমূহৰ সন্দৰ্ভত সবিশেষ তথ্য গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৱেবছাইট (https://mha.gov.in) আৰু পদ্ম বঁটা পৰ্টেল (https://padmaawards.gov.in)তো উপলব্ধ আছে।

## ছালফিউৰিক এচিড উৎপাদনত আত্মনিৰ্ভৰশীল হ'বলৈ সাজু হৈছে ৰাষ্ট্ৰ

কেন্দ্ৰীয় গৃহ পৰিক্ৰমা আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ৬ মাৰ্চত উৰিষ্যাৰ পাৰাদীপত ইফকো ছালফিউৰিক এচিড প্লাণ্ট-তৰ উদ্বোধন কৰে। এই সুবিধা দুটা আৰম্ভ হোৱাৰ লগে লগে ইফকো আৰু কেআৰআবিএইছচিঅই অনাগত দিনত একেলগে কাম কৰি সমগ্ৰ দেশক ছালফিউৰিক এচিড উৎপাদনত স্বাৱলম্বী কৰি তুলিব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ হৈ ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ বাবে ভূমি পূজন আৰু ইয়াৰ অস্থায়ী চৌহদ উদ্বোধনী অনুষ্ঠানো ওড়িশাত অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপসমূহে ওড়িশাৰ ফৰেনছিক বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বহুতো সুযোগৰ মুকলি কৰিব, তেওঁলোকক চাকৰিমুখী পাঠ্যক্ৰমৰ সুবিধা প্ৰদান কৰিব যিয়ে স্নাতক হোৱাৰ লগে লগে সুৰক্ষিত নিয়োগ নিশ্চিত কৰিব। এদিনতে গৃহমন্ত্ৰীয়ে ওড়িশা চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত ৩খন, সমবায় মন্ত্ৰালয়ৰ অধীনত ৪খন, আৰু ১৭৩খন আঁচনিৰ উদ্বোধন কৰে আৰু আধাৰশিলা স্থাপন কৰে।



## 'সুজলাম গ্ৰাম্য আইডি'ৰ শুভাৰম্ভ

জল শক্তিৰ কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিলে 'সুজলাম গ্ৰাম্য আইডি' পদক্ষেপৰ শুভাৰম্ভ কৰে। এই অনন্য আইডিৰ জৰিয়তে গ্ৰাম্য পাইপলাইনৰ জৰিয়তে প্ৰদান কৰা পানী যোগানৰ ডিজিটেল মেপিং কৰা হ'ব। দেশত প্ৰথমবাৰৰ বাবে প্ৰতিখন গ্ৰাম্য খোৱাপানী আঁচনিত ডিজিটেল পৰিচয় দিয়া হৈছে; আজিলৈকে সমগ্ৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১.৬৪ লাখ সুজলাম গ্ৰাম্য আইডি সৃষ্টি কৰা হৈছে। এইবোৰক ৬৭ হাজাৰ "সুজলাম ভাৰত আইডি'ৰ সৈতে জড়িত কৰা হৈছে। ইয়াৰ দ্বাৰা গ্ৰাম্য পানী সেৱা প্ৰদানৰ লক্ষ্যৰে এক ব্যাপক ডিজিটেল পদক্ষেপ গ্ৰহণ কৰা হয়। ই স্বচ্ছতা আৰু নিৰীক্ষণৰ ব্যৱস্থা শক্তিশালী কৰাত সহায় কৰিব। কেন্দ্ৰীয় কেবিনেটে জল জীৱন অভিযানৰ দ্বিতীয় পৰ্যায়ৰ কাম ২০২৮ চনৰ ডিচেম্বৰ মাহলৈ বৃদ্ধিৰ বাবে অনুমোদন জনাইছে, আৰু ইয়াৰ বাজেট আবণ্টন ৮.৬৯ লাখ কোটিলৈ বৃদ্ধি কৰা হৈছে।





ভীম জন্মভূমি
মৌ, মধ্যপ্ৰদেশ



শিক্ষা ভূমি, আম্বেদকাৰ
স্মৃতিসৌধ, লণ্ডন



মহাপৰিনিৰ্বাণ ভূমি, আলিপুৰ
ৰোড, নতুন দিল্লী





দীক্ষা ভূমি, নাগপুৰ,
মহাৰাষ্ট্ৰ



চৈত্যভূমি, মুম্বাই, মহাৰাষ্ট্ৰ

# পঞ্চতীৰ্থ

## এখন কৃতজ্ঞ ৰাষ্ট্ৰই অভিবাদন জনাইছে এগৰাকী মহান নেতাক

বাবা চাহেব ড০ ভীমৰাও আম্বেদকাৰৰ নীতি আৰু আদৰ্শই আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰত গঢ়াত শক্তি প্ৰদান কৰিব...প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ প্ৰসংগত কৈছিল যে ১৪ এপ্ৰিলত বাবা চাহেবৰ ১৩৬ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে এখন কৃতজ্ঞ ৰাষ্ট্ৰই তেওঁক অভিবাদন জনাইছে।

বাবা চাহেব মানৱতাৰ এগৰাকী শক্তিশালী প্ৰবক্তা আছিল। তেওঁ সকলো ধৰণৰ অমানৱীয় কাম-কাজৰ বিৰোধিতা কৰিছিল আৰু সেইবোৰ সংস্কাৰ সাধনৰ চেষ্টা কৰাৰ লগতে সদায় সাংবিধানিক পদ্ধতিৰে কাম কৰিছিল। বাবা চাহেবে আমাক কি বাৰ্তা দিছিল? তেওঁ সমাজক কেৱল এটা কথাই কৈছিল- 'ভাইসকল, শিক্ষিত হোৱা...' যেতিয়া আপুনি শিক্ষিত হ'ব, তেতিয়া আপুনি বিশ্বৰ চকুত চকু থৈ আৰু আত্মবিশ্বাসেৰে কথা ক'বলৈ সক্ষম হ'ব। তেওঁৰ দ্বিতীয় মন্ত্ৰটো আছিল সংগঠিত হৈ থকা। তৃতীয় মন্ত্ৰ আছিল মানৱতাৰ সপক্ষে সংগ্ৰাম কৰা আৰু অমানৱীয় কাৰ্যকলাপৰ বিৰুদ্ধে মাত মতা। এই তিনিটা মন্ত্ৰই আজিও আমাক কেৱল অনুপ্ৰাণিত কৰাই নহয়, শক্তিও প্ৰদান কৰি আহিছে। বাবা চাহেব আম্বেদকাৰে যি মানসিকতাৰে কাম কৰিছিল, সেয়া সম্পূৰ্ণ শুদ্ধ আছিল। ইয়াত দেশ আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰে ভৰি আছিল। সেয়ে আমাৰ সংকল্প এই যে দলিত, শোষিত, অৱহেলিত, বঞ্চিত, দৰিদ্ৰ, জনজাতি, গঞা, বস্তি অঞ্চলত বাস কৰা লোক, শিক্ষাৰ অভাৱত কষ্ট পোৱাকে ধৰি এই সকলোৰে বাবে যদি আমি কাম কৰিব বিচাৰো, তেন্তে বাবা চাহেব আম্বেদকাৰ সদায় আমাৰ প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

চৰকাৰে বাবা চাহেবৰ অৱদানক সাবলীলভাৱে দেশ তথা বিশ্বৰ সন্মুখত দাঙি ধৰিছে। দেশ-বিদেশৰ যি ঠাইত বাবা চাহেবে বাস কৰিছিল, সেই ঠাইসমূহক 'পঞ্চতীৰ্থ' হিচাপে গঢ়ি তোলা হৈছে। তেওঁৰ জন্মভূমি মৌ, দীক্ষাভূমি নাগপুৰ, মুম্বাইৰ চৈত্যভূমি, দিল্লীৰ সেই স্থান য'ত তেওঁ জীৱনৰ অন্তিম সময় কটাইছিল আৰু লণ্ডনৰ আম্বেদকাৰ মেম'ৰিয়েল হোম-এই পঞ্চতীৰ্থই ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব। দেশৰ সকলো নাগৰিকৰ হৈ মই ভাৰত ৰত্ন বাবা চাহেবক তেওঁৰ জন্ম বাৰ্ষিকীত আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। তেওঁৰ অনুপ্ৰেৰণাই আজি দেশবাসীক সামাজিক ন্যায়ৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সমৰ্পিত কৰি ৰাখিছে। তেওঁৰ নীতি আৰু আদৰ্শই আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰত গঢ়াত শক্তি আৰু গতি প্ৰদান কৰে।



# যিজন ব্যক্তিয়ে ১৯৭১ৰ যুদ্ধত পাকিস্তানক সমুচিত প্ৰত্যুত্তৰ দিছিল

জন্মঃ ৫ এপ্ৰিল, ১৯০৮
মৃত্যুঃ ৬ জুলাই, ১৯৮৬

বাবু জগজীৱন ৰাম ভাৰতীয় ৰাজনীতিৰ এগৰাকী বিশিষ্ট ব্যক্তি। তেওঁ গোটেই জীৱনজুৰি এক একত্ৰিত আৰু সমতাপূৰ্ণ সমাজৰ হকে যুঁজ দিছিল। খাদ্য আৰু কৃষি মন্ত্ৰী হিচাপে তেওঁ ভাৰতত সেউজ বিপ্লৱৰ সফলতাৰ বাবে কৃতিত্বৰ অধিকাৰী। প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে তেওঁ ১৯৭১ চনৰ যুদ্ধত ভাৰতৰ ঐতিহাসিক বিজয়ৰ নেতৃত্ব দিছিল, যাৰ ফলত বাংলাদেশ গঠন হৈছিল। সামাজিক ন্যায়ৰ প্ৰতি তেওঁৰ প্ৰতিশ্ৰুতি সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব...

বাবু জগজীৱন ৰাম এগৰাকী মহান স্বাধীনতা সংগ্ৰামী আৰু ৰাষ্ট্ৰীয় নেতা আছিল, যিয়ে নিপীড়িতসকলৰ উন্নতিৰ বাবে নিৰন্তৰ যুঁজি আহিছিল। ১৯০৮ চনৰ ৫ এপ্ৰিলত বিহাৰৰ ভোজপুৰত তেওঁৰ জন্ম হৈছিল। জগজীৱন ৰামে ধৰ্মপ্ৰাণ পিতৃৰ পৰা আদৰ্শপূৰ্ণ মানৱীয় মূল্যবোধ আৰু জ্ঞান লাভ কৰিছিল। বাবুজী নামেৰে পৰিচিত জগজীৱন ৰামে দলিতসকলৰ উন্নতিৰ বাবে নিৰন্তৰভাৱে যুঁজ দিছিল। মহাত্মা গান্ধীক পূজা কৰা বাবু জগজীৱন ৰামক ১৯৪০ চনৰ ১০ ডিচেম্বৰত গ্ৰেপ্তাৰ কৰা হৈছিল। ১৯৪২ চনৰ ১৯ আগষ্টত ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশগ্ৰহণৰ বাবে তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰে। কাৰাগাৰৰ পৰা মুকলি হোৱাৰ পিছত তেওঁ ১৯৪৬ চনত অন্তৰ্বৰ্তীকালীন কেন্দ্ৰীয় চৰকাৰৰ আটাইতকৈ কনিষ্ঠ মন্ত্ৰী হিচাপে পৰিগণিত হৈছিল। তেওঁ ভাৰতৰ সংবিধান সভাৰো সদস্য আছিল।

আৰম্ভণিতে ১৯৩৬ চনত ২৮ বছৰ বয়সতে তেওঁ বিহাৰ বিধান পৰিষদৰ মনোনীত সদস্য হিচাপে বিধায়ক হৈছিল। তেওঁ কেবিনেট মন্ত্ৰী হিচাপে সুদীৰ্ঘ ৩৫ বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। নিজৰ কাৰ্যকালত তেওঁ যুগান্তকাৰী সংস্কাৰ সাধন কৰিছিল। খাদ্য আৰু কৃষি মন্ত্ৰী হিচাপে তেওঁ ভাৰতত 'সেউজ বিপ্লৱ'ৰ সফলতাৰ কৃতিত্ব অৰ্জন কৰে। প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে তেওঁ ১৯৭১ চনৰ যুদ্ধত ভাৰতক ঐতিহাসিক বিজয়ৰ নেতৃত্ব প্ৰদান কৰিছিল। প্ৰশাসক হিচাপে ভাৰতৰ প্ৰতি তেওঁৰ সেৱা অতুলনীয়। ১৯৮৬ চনৰ ৬ জুলাইত এইগৰাকী মহান জাতীয়তাবাদী নেতাৰ বিয়োগ হয়।

৫ এপ্ৰিল, ২০২৫ত প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী বাবু জগজীৱন ৰামৰ জন্ম বাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "বঞ্চিত আৰু নিপীড়িতসকলৰ অধিকাৰৰ বাবে তেওঁৰ জীৱনজোৰা সংগ্ৰাম সদায়েই প্ৰেৰণাৰ উৎস হৈ থাকিব। বাবু জগজীৱন ৰামে দৰিদ্ৰ লোকসকলৰ কল্যাণৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। তেওঁ বহু বছৰ ধৰি দেশ সেৱা কৰিছিল। বাবু জগজীৱন ৰামে দুটা বস্তু বিচাৰিছিল-এখন শক্তিশালী ভাৰত আৰু এখন গণতান্ত্ৰিক ভাৰত। যেতিয়া আমি পাকিস্তানক উপযুক্ত প্ৰত্যুত্তৰ দিছিলো, তেতিয়া বাবুজী ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী আছিল।

জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে মাত মতা তেওঁ আছিল প্ৰথমগৰাকী কংগ্ৰেছ নেতা। সেই জটিল দিনবোৰত যেতিয়া বহু মানুহক গ্ৰেপ্তাৰ কৰা হৈছিল, তেতিয়া তেওঁ শক্তিশালী কণ্ঠ হিচাপে আত্মপ্ৰকাশ কৰি মানুহক ভয় নকৰিবলৈ উৎসাহিত কৰিছিল।

বিকাশৰ পৰৱৰ্তী পৰ্যায়ত...

# ভাৰতে পৰৱৰ্তী স্তৰলৈ গতি কৰিছে

দাণ্ডি যাত্ৰা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণ-যাৰ লক্ষ্য আছিল ভাৰতৰ স্বাধীনতা অৰ্জন কৰা। এই গৌৰৱোজ্জ্বল ইতিহাসৰ পৰা অনুপ্ৰেৰণা লাভ কৰি ভাৰতে বিগত ১১ বছৰত প্ৰগতিৰ এক নতুন অধ্যায়ৰ পাতনি মেলিছে। এতিয়া বিকাশৰ এই যাত্ৰাক পৰৱৰ্তী স্তৰলৈ লৈ যোৱা হৈছে। এই যাত্ৰাৰ অন্তিম লক্ষ্য আৰু গন্তব্যস্থল হৈছে বিকশিত ভাৰত। আইটিভি নেটৱৰ্কৰ এনএক্সটি সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত দেশলৈ ৰূপান্তৰিত কৰাৰ ৰাষ্ট্ৰীয় সংকল্পক বাস্তৱ ৰূপ দিয়াৰ ৰোডমেপ সম্পৰ্কে আলোকপাত কৰে।

### এটাই গন্তব্যস্থান-বিকশিত ভাৰত

১৯৩০ চনৰ ১২ মাৰ্চত মহাত্মা গান্ধীয়ে সবৰমতী আশ্ৰমৰ পৰা দাণ্ডি যাত্ৰা আৰম্ভ কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ক্ষেত্ৰত এই যাত্ৰা এক উল্লেখনীয় সন্ধিক্ষণ হিচাপে পৰিগণিত হয়, কিয়নো ই দেশৰ প্ৰতিটো প্ৰান্তক এটা লক্ষ্যৰে ঐক্যবদ্ধ কৰি তোলে-সেয়া হৈছে ভাৰতৰ স্বাধীনতা। আজি সেই ঐতিহাসিক যাত্ৰাৰ প্ৰায় ১০০ বছৰৰ পাছত ভাৰতৰ জনসাধাৰণে পুনৰ নতুন যাত্ৰা আৰম্ভ কৰিছে। সেয়া হৈছে এখন 'বিকশিত ভাৰত গঢ়াৰ যাত্ৰা। আমাৰ এটা লক্ষ্য, এটা গন্তব্যস্থানঃ বিকশিত ভাৰত।

### প্ৰত্যাহ্বানৰ মাজতো আগবাঢ়ি যোৱা এখন দেশ

একবিংশ শতিকাৰ এই যুগটো অভূতপূৰ্ব-যি অতীতত দেখা পোৱা সকলোতকৈ ভিন্ন। এহাতে যুদ্ধৰ বিধ্বংসী পৰিস্থিতিৰ উদ্ভৱ হৈছে, যোগান শৃংখলা পুনৰ বিঘ্নিত হৈছে আৰু ৰাষ্ট্ৰসংঘৰ দৰে বিশ্বজনীন প্ৰতিষ্ঠানৰ প্ৰাসংগিকতাৰ ওপৰত প্ৰশ্ন উত্থাপন হৈছে। আনহাতে, এই প্ৰতিকূল পৰিস্থিতি সত্ত্বেও ভাৰতে অগ্ৰগতি অব্যাহত ৰাখিছে।

প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাটোৱেই হৈছে এখন ৰাষ্ট্ৰৰ বিকাশৰ মূল ভেটি। শেহতীয়া বছৰবোৰত আমি ক'ভিড-১৯ দুৰ্যোগৰ সাক্ষী হৈছো, তাৰ পিছত




### ভাৰতৰে সংযোগ অনিবাৰ্য...

*কিছু দিনৰ পূৰ্বে ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ষ্টাবে ভাৰত ভ্ৰমণ কৰিছিল। তেওঁ কয় যে গ্ল'বেল ছাউথে এতিয়া বিশ্বৰ গতিপথ নিৰ্ধাৰণ কৰিব আৰু সেই দিশ নিৰ্ণয় কৰা সৰ্বশ্ৰেষ্ঠ শক্তি হ'ব ভাৰত।*

*ইয়াৰ পূৰ্বে কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীয়েও মন্তব্য কৰিছিল যে অহা তিনিটা দশকত বিশ্বৰ অৰ্থনৈতিক মাধ্যাকৰ্ষণ যিটো কেন্দ্ৰৰ দিশে হৈছে, সেয়া হৈছে ভাৰত।*

*ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'নেও স্বীকাৰ কৰিছে যে বিশ্বৰ আটাইতকৈ জৰুৰী সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত ভাৰত এক অপৰিহাৰ্য অংশীদাৰ হিচাপে পৰিগণিত হৈছে। প্ৰযুক্তি আৰু অৰ্থনীতিৰ ক্ষেত্ৰসমূহত বিশ্ব নেতৃবৃন্দই আজি যি বক্তব্য আগবঢ়াইছে, সেই বক্তব্যৰ সাৰমৰ্ম যদি আমি বিশ্লেষণ কৰো, তেতিয়া এটা বিশেষ অনুভূতি জাগ্ৰত হয়ঃ যদি আপুনি ভৱিষ্যতৰ অংশীদাৰ হ'ব বিচাৰে, তেন্তে আপুনি ভাৰতৰ সৈতে জড়িত হ'ব লাগিব, আপুনি ভাৰতত থাকিব লাগিব।*

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ কোড স্কেন কৰক।*



ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ সংকট আৰু এতিয়া অন্য এক বৃহৎ যুদ্ধ চলি আছে। এই সংঘাতে সমগ্ৰ বিশ্বক এক গুৰুতৰ শক্তি সংকটৰ ফালে ঠেলি দিছে। সংকটৰ সময় বহুক্ষেত্ৰত সমগ্ৰ দেশৰ বাবে এক পৰীক্ষা। ভাৰত চৰকাৰেও এই সংকটৰ সৈতে মোকাবিলা কৰাৰ বাবে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। চৰকাৰে বিভিন্ন পৰ্যায়ত প্ৰচেষ্টা গ্ৰহণ কৰিছে। বিগত দিনসমূহত মই বিশ্বৰ বিভিন্ন দেশৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতে এই বিষয়ত আলোচনা কৰিছো। যোগান শৃংখলত উদ্ভৱ হোৱা বাধাসমূহ দূৰ কৰাৰ বাবেও নিৰন্তৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। পৰিস্থিতিবোৰ শান্ত আৰু ধৈৰ্যৰে মোকাবিলা কৰা উচিত। জনসাধাৰণৰ আস্থা আৰু সজাগতা বৃদ্ধি কৰি আমি একেলগে আগবাঢ়িব লাগিব আৰু ইয়াত সকলোৱে ভূমিকা পালন কৰিব।

## সংস্কাৰৰ পৰৱৰ্তী অধ্যায়ৰ দিশে

আজি ভাৰতে "পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ" হাতত লৈছে-দেশখন সঁচাকৈয়ে "সংস্কাৰ এক্সপ্ৰেছ"ত উঠিছে। এটা সময় আছিল যেতিয়া ভাৰতত বহু কাম আৰু সিদ্ধান্তক "প্ৰায় অসম্ভৱ" বুলি গণ্য কৰা হৈছিল; আজি ভাৰতে ঠিক সেই সিদ্ধান্তবোৰেই লৈছে।

- এটা সময়ত কোৱা হৈছিল যে ৩৭০নং অনুচ্ছেদ বাতিল কৰাটো অসম্ভৱ, কিন্তু আজি জম্মু-কাশ্মীৰত ৩৭০ৰ প্ৰাচীৰ ভাঙি পেলোৱা হৈছে।
- দেশৰ প্ৰতিজন নাগৰিকক বেংকিং ব্যৱস্থাৰ সৈতে সংযোগ কৰাটো অসম্ভৱ যেন লাগিছিল। আজি ৫০ কোটিৰো অধিক (৫০০ নিযুত)জন ধন একাউন্ট খোলা হৈছে।
- তিনি তালাক বাতিল কৰাটো অসম্ভৱ যেন লাগিছিল; আজি আমাৰ মুছলমান ভগ্নীসকল এই অন্যায়ৰ পৰা মুক্ত হৈছে।
- লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ

## শক্তি খণ্ডত আত্মনিৰ্ভৰ




- ১১ বছৰত বটলিং ক্ষমতা দুগুণ হৈছে; বিতৰণ কেন্দ্ৰ ১৩,০০০ৰ পৰা ২৫,০০০লৈ বৃদ্ধি হৈছে।
- ২০১৪ চনত ৪টা এলএনজি টাৰ্মিনেল আছিল; তাৰ পিছত এই সংখ্যা দুগুণ হৈছে।
- গেছ পাইপলাইন নেটৱৰ্কৰ দৈৰ্ঘ্য আছিল প্ৰায় ৩,৫০০ কিলোমিটাৰ; এতিয়া ইয়াক ১০,০০০ কিলোমিটাৰলৈ সম্প্ৰসাৰিত কৰা হৈছে।
- ৬০% এলপিজি আমদানি কৰা হৈছিল; প্ৰধান বন্দৰসমূহত আমদানি টাৰ্মিনেলৰ ক্ষমতা বৃদ্ধি কৰা হৈছে।

### পাইপ গেছৰ সুবিধা...

- ২০১৪ চনৰ পূৰ্বে কেৱল ২.৫ৰ পৰা ২.৬ নিযুত পৰিয়ালেহে পিএনজিৰ সুবিধা লাভ কৰিছিল; আজি এই সংখ্যা ১২.৫ নিযুততকৈ অধিক হৈছে।
- ২০১৪ চনত দেশত ১ নিযুত চিএনজি চালিত যান-বাহন আছিল। বৰ্তমান ইয়াৰ সংখ্যা ৭ নিযুতৰো অধিক।
- বিগত এটা দশকত সমগ্ৰ দেশতে ৬০০ৰো অধিক জিলাত চিটি গেছ বিতৰণ (চিজিডি) নেটৱৰ্ক স্থাপন কৰা হৈছে।



## পেট্ৰ'লিয়ামত ইথানল আৰু সংৰক্ষণ ক্ষমতা

- ২০১৪ চনৰ পূৰ্বে ভাৰতৰ কৌশলগত সংৰক্ষণ ক্ষমতাৰ পৰিমাণ আছিল অতি নগণ্য। বৰ্তমান এই সামৰ্থ্য ৫ নিযুত টনৰো অধিক। বৰ্তমান অধিক ক্ষমতা বিকাশৰ বাবে কাম চলি আছে।
- আজি ভাৰত বিশ্বৰ অন্যতম বৃহৎ শোধনাগাৰৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈছে। বিগত দশকত শোধন ক্ষমতা বছৰি ৪০ নিযুত টন বৃদ্ধি পাইছে।
- পেট্ৰ'লিয়ামৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ ইথানল আৰু জৈৱ ইন্ধনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

দেশত ইথানল মিশ্ৰণৰ ক্ষমতা




- ভাৰতে এই পদক্ষেপ গ্ৰহণ নকৰা হ'লে বিগত ১১ বছৰত ভাৰতে বিদেশৰ পৰা অতিৰিক্ত ১৮০ মিলিয়ন বেৰেল তেল আমদানি কৰিবলৈ বাধ্য হ'লহেঁতেন।

আমাৰ ইথানল উৎপাদন ক্ষমতাৰ বাবে প্ৰতি বছৰে প্ৰায় **৪৫** নিযুত বেৰেল তেলৰ আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাইছে।

কেৱল এই আঁচনিৰ জৰিয়তে দেশত প্ৰায় **১.৫** লাখ কোটি টকা ৰাহি হৈছে।



## ৰে'লৱে লাইনৰ বৈদ্যুতিকৰণ

ৰে'লৱে ব্ৰ'ডগজ নেটৱৰ্কৰ বৈদ্যুতিকৰণ




- কেৱল ২০২৪-২৫ বৰ্ষতে ভাৰতীয় ৰে'লৱেই প্ৰায় ১.৮ বিলিয়ন লিটাৰ ডিজেল ৰাহি কৰিছে।
- এই বিদ্যুতিকীকৰণ নোহোৱা হ'লে প্ৰতি বছৰে ইমান পৰিমাণৰ ডিজেল উৎপাদনৰ বাবে অতিৰিক্ত খাৰুৱা তেল আমদানি কৰিবলগীয়া হ'লহেঁতেন।

সংৰক্ষণৰ ব্যৱস্থা কৰাটো অসম্ভৱ যেন লাগিছিল। আজি আইন প্ৰণয়নৰ জৰিয়তে সেয়া বাস্তৱ ৰূপ দিয়া হৈছে।

- আজি চন্দ্ৰ অভিযান, অৰ্ধপৰিবাহী মিচন আৰু কোৱাণ্টাম মিচনৰ দৰে অভিযানসমূহে ভাৰতক পৰৱৰ্তী প্ৰজন্মৰ প্ৰযুক্তিৰ দিশে আগুৱাই লৈ গৈছে।

### ...এয়া সুনিশ্চিত কৰা হৈছে, যাতে যুদ্ধৰ বিৰূপ প্ৰভাৱ যাতে ভাৰতবৰ্ষত নপৰে

- যেতিয়া ৰাছিয়া-ইউক্ৰেইনৰ সংঘাতৰ সংকট বৃদ্ধি পাইছিল, তেতিয়া আন্তঃৰাষ্ট্ৰীয় ইউৰিয়াৰ মূল্য প্ৰতি বেগত ৩,০০০ টকালৈ বৃদ্ধি পাইছিল আৰু ভাৰত চৰকাৰে কৃষকসকলক নামমাত্ৰ ৩০০ টকা হাৰত লাভ কৰাটো নিশ্চিত কৰিছিল।
- এইবাৰো দেশে যুদ্ধই যাতে নাগৰিকসকলৰ জীৱনত কম প্ৰভাৱ পৰে তাৰ বাবে সকলো সম্ভৱপৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে।

### আকাংক্ষিত জিলাসমূহত বিশেষ অভিযান

উন্নয়নৰ দৌৰত যিবোৰ জিলা পিছ পৰি আছিল চৰকাৰে সেইবোৰক শাসন ব্যৱস্থাৰ মূল অগ্ৰাধিকাৰৰ খণ্ডৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছে। আজি, আকাংক্ষিত জিলা কাৰ্যসূচী, আকাংক্ষিত ব্লক কাৰ্যসূচী আৰু এই অঞ্চলসমূহত প্ৰধানমন্ত্ৰী জনমন আঁচনিৰ দৰে বিশেষ অভিযান সক্ৰিয়ভাৱে ৰূপায়ণ কৰা হৈছে, যাতে আৱাসগৃহ, পথ, বিদ্যালয় আৰু চিকিৎসালয়কে ধৰি গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি নিৰ্মাণৰ কাম চলাই নিব পৰা যায়।

### মাওবাদ

২০১৩ চনত ১৮০খনতকৈ অধিক জিলাত মাওবাদীৰ সন্ত্ৰাসৰ প্ৰভাৱ আছিল। ইয়াৰ ফলত যিসমূহ অঞ্চলত একালত ভয়ত

## নবীকৰণযোগ্য শক্তি ক্ষমতা ৪০ গুণ বৃদ্ধি পাইছে

- আজি দেশৰ মুঠ শক্তি উৎপাদন ক্ষমতাৰ অধিকাংশ নবীকৰণযোগ্য উৎসৰ পৰা উৎপাদন কৰা হয়।

নবীকৰণযোগ্য শক্তিৰ ক্ষমতাই এতিয়া **২৫০** গিগাৱাট অতিক্ৰম কৰিছে।

ভাৰতৰ সৌৰ শক্তি ক্ষমতা






- ঘৰুৱা কাম-কাজত গেছৰ পৰিৱৰ্তে বিদ্যুতৰ অধিক ব্যৱহাৰ সুনিশ্চিত কৰিবলৈ 'পিএম-সূৰ্য গড়ঃ মুফট বিজলী যোজনা' (বিনামূলীয়া বিদ্যুৎ আঁচনি) ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ অধীনত এতিয়ালৈকে প্ৰায় ৩ নিযুত পৰিয়ালে নিজৰ ঘৰৰ ছাদত সৌৰ প্ৰণালী স্থাপন কৰিছে।
- গোবৰ্ধন আঁচনিৰ অধীনত কম্প্ৰেছড বায়'গেছ (চিবিজি) উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এতিয়ালৈকে সমগ্ৰ দেশতে ১০০তকৈও অধিক প্লাণ্টৰ কাম আৰম্ভ হৈছে আৰু ৬০০টা অতিৰিক্ত প্লাণ্টৰ কাম চলি আছে।



দিন অতিবাহিত কৰিবলগীয়া হৈছিল, সেই অঞ্চলসমূহত এতিয়া বিকাশৰ এক নতুন শক্তিৰ সঞ্চাৰ হৈছে।

### ভাৰতবৰ্ষই সপোনক বাস্তৱত পৰিণত কৰিছে...

আজিৰ ভাৰতে কেৱল সপোন নেদেখে। ভাৰতে সেইবোৰ বাস্তৱত পৰিণত কৰিছে। সেইবাবেই বিশ্বই কৈছে, "ভাৰত কেৱল অগ্ৰসৰ হোৱাই নহয়, ই পৰৱৰ্তী পৰ্যায়ত উপনীত হৈছে।" ক'ভিড-১৯ মহামাৰীৰ সময়ত আমি দেখিছোঁ যে যেতিয়া আমি একেলগে কাম কৰো, তেতিয়া দেশখনৰ সংকটৰ সৈতে মোকাবিলা কৰাৰ ক্ষমতা ক্ৰমান্বয়ে বৃদ্ধি পায়। আজি দেশখনে আন এক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে আৰু সেইবাবে আমি জাতীয় স্বাৰ্থক সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আমাৰ কৰ্তব্য পালনেৰে একেলগে কাম কৰিব লাগিব।

### প্ৰগতিৰ পৰৱৰ্তী স্তৰ...

আজি আমাৰ দেশে পৰৱৰ্তী প্ৰজন্মৰ ডিজিটেল আন্তঃগাঁথনিৰ দিশে অগ্ৰসৰ হৈছে। ইউপিআইয়ে ডিজিটেল পেমেণ্টক পৰৱৰ্তী পৰ্যায়লৈ লৈ গৈছে। আজি ভাৰতে ৰিয়েল টাইম ডিজিটেল পেমেণ্টৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে দ্ৰুততম দেশ হিচাপে পৰিগণিত হৈছে। আজি যি গতিত ভাৰতে প্ৰগতি লাভ কৰিছে, সেই গতি ৰোধ কৰাটো অসম্ভৱ হৈ পৰিছে। ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষাই এতিয়া পৰৱৰ্তী পৰ্যায়ত উপনীত হৈছে। মই জানো যে যেতিয়া এটা সপোন পূৰণ হয়, তেতিয়া নতুন সপোন আৰু নতুন আকাংক্ষাৰ জন্ম হয়। এতিয়া ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষা পূৰণ হ'ব। ভাৰতে সকলো ক্ষেত্ৰতে আত্মনিৰ্ভৰশীল হোৱাৰ লগতে সকলো পৰিস্থিতিতে ভাৰত এখন উন্নত ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব।



## ভাৰতৰ সামুদ্ৰিক শক্তিৰ পুনৰুত্থান

# সামুদ্ৰিক শক্তি



ভাৰতক এটা সময়ত বিশ্বৰ আটাইতকৈ সমৃদ্ধিশালী আৰু শক্তিশালী দেশসমূহৰ ভিতৰত অন্যতম হিচাপে গণ্য কৰা হৈছিল, যিটো ইয়াৰ শক্তিশালী সামুদ্ৰিক সুবিধাৰ বাবে সম্ভৱ হৈছিল। কিন্তু স্বাধীনতাৰ সুদীৰ্ঘ সময়ৰ পাছতো এই খণ্ডৰ বিশাল সম্ভাৱনাক গুৰুত্ব দিয়া নহ'ল। আজি পৰিৱৰ্তিত বিশ্ব প্ৰেক্ষাপটত গৌৰৱোজ্জ্বল সামুদ্ৰিক ইতিহাসৰ দ্বাৰা অনুপ্ৰাণিত হৈ এখন নতুন ভাৰত আগবাঢ়ি গৈছে। আধুনিক বন্দৰ, উন্নত সামুদ্ৰিক যোগাযোগ আৰু অত্যাধুনিক আন্তঃগাঁথনিৰ বিকাশৰ জৰিয়তে দেশে সামুদ্ৰিক ক্ষেত্ৰখনলৈ নতুন শক্তি প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে ভাৰতে কেৱল বাণিজ্য আৰু ঔদ্যোগিক বিকাশ ত্বৰান্বিত কৰাই নহয়, ৰাষ্ট্ৰীয় সুৰক্ষা, বিশ্ব প্ৰতিযোগিতামূলক আৰু কৌশলগত স্ব-নিৰ্ভৰশীলতাকো এক নতুন গতি প্ৰদান কৰিছে...

ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস (৫ এপ্ৰিল) উপলক্ষে আমি জানো আহক, বিগত ১১ বছৰত ভাৰতে কেনেদৰে বিশ্বৰ আগশাৰীৰ সামুদ্ৰিক শক্তিৰ দেশ হিচাপে পৰিগণিত হোৱাৰ দিশত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰচেষ্টাৰ জৰিয়তে ২০৪৭ চনৰ ভিতৰত সামুদ্ৰিক খণ্ডত প্ৰায় ৮ ট্ৰিলিয়ন টকাৰ বিনিয়োগ হ'ব আৰু প্ৰায় ১৫ নিযুত নতুন নিয়োগৰ সুযোগ সৃষ্টি হ'ব। সামুদ্ৰিক অমৃত কালৰ দৃষ্টিভংগীৰে নতুন ভাৰত বিকশিত ভাৰত গঢ়াৰ লক্ষ্যৰ দিশে দ্ৰুতগতিত অগ্ৰসৰ হৈছে।

ভাৰতৰ সামুদ্ৰিক শক্তিৰ এক স্বৰ্ণিম ইতিহাস আছে, যি হাজাৰ হাজাৰ বছৰ পুৰণি। শ শ বছৰৰ আগতে সীমিত প্ৰযুক্তি আৰু সম্পদৰ পাছতো ভাৰতে সিন্ধুদুৰ্গৰ দৰে অসংখ্য দুৰ্গ নিৰ্মাণ কৰিছিল। ১১,০০০ কিলোমিটাৰো অধিক দৈৰ্ঘ্যৰ উপকূলৰ সৈতে ভাৰতৰ কৌশলগত অৱস্থানে প্ৰধান বিশ্ব বাণিজ্য পথত বন্দৰভিত্তিক অৰ্থনৈতিক বিকাশৰ বাবে অপৰিসীম সম্ভাৱনা প্ৰদান কৰে। এইবাবেই নতুন ভাৰতে সেই সোণালী ইতিহাসৰ পুনৰুজ্জীৱনৰ নতুন অধ্যায় লিখিছে। ভাৰতীয় ধৰ্মীয় গ্ৰন্থ আৰু আধুনিক গ্ৰন্থত সামুদ্ৰিক ক্ষমতা আৰু শক্তিৰ গুৰুত্বৰ বিষয়ে বৰ্ণনা কৰা হৈছে। এই কথা মনত ৰাখি নতুন ভাৰতে সামুদ্ৰিক আন্তঃগাঁথনিৰ ক্ষেত্ৰত নতুন মাইলৰ খুঁটিত উপনীত হৈছে। সামুদ্ৰিক আন্তঃগাঁথনিৰ সমগ্ৰ ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে নিৰন্তৰ কাম চলি আছে। বিগত দশকত ভাৰতৰ প্ৰধান বন্দৰসমূহৰ ক্ষমতা দুগুণলৈ বৃদ্ধি পাইছে। বন্দৰসমূহৰ যোগাযোগ সুদৃঢ় কৰিবলৈ হাজাৰ হাজাৰ কিলোমিটাৰ নতুন পথ নিৰ্মাণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সমৃদ্ধিৰ বাবে বন্দৰ' আৰু 'উন্নতিৰ বাবে বন্দৰ'ৰ দৃষ্টিভংগীয়ে 'উৎপাদনশীলতাৰ বাবে বন্দৰ'ৰ মন্ত্ৰক কাৰ্যকৰী কৰি তৃণমূল পৰ্যায়ত নিৰন্তৰ পৰিৱৰ্তন সাধন কৰিছে। ভাৰতে ইয়াৰ উপকূলীয় জাহাজ পৰিবহণৰো আধুনিকীকৰণ কৰিছে। ভাৰতৰ আভ্যন্তৰীণ জলপথৰ উন্নয়নতো গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আহিছে। ইতিহাস সাক্ষী যে যেতিয়া ভাৰতৰ সামুদ্ৰিক ক্ষমতা শক্তিশালী হয়, দেশ তথা বিশ্বই ইয়াৰ পৰা যথেষ্ট উপকৃত হয়। এই দৃষ্টিভংগীৰে বিগত দশকত এই খণ্ডটোক শক্তিশালী কৰাৰ বাবে পদ্ধতিগত প্ৰচেষ্টা চলোৱা হৈছে। এক সমৃদ্ধশালী ইতিহাস পুনৰুজ্জীৱিত হৈ আছে।

ভাৰতৰ এক চহকী সামুদ্ৰিক ঐতিহ্য আছে। অতীজৰে পৰা ভাৰত জাহাজ নিৰ্মাণ আৰু উপকূলীয় বাণিজ্যৰ বাবে পৰিচিত। এয়া চোলা আৰু মাৰাঠাৰ দৰে শক্তিশালী ৰাজবংশৰ ভূমি আছিল, যাৰ শক্তিশালী নৌসেনা শক্তি, বিস্তৃত বাণিজ্য, কৌশলগত দক্ষতাই দেশৰ সমৃদ্ধি আৰু ক্ষমতাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁলোকৰ দূৰদৰ্শিতাই প্ৰমাণ কৰিলে যে সাগৰসমূহে কেনেকৈ সুযোগৰ দলং হিচাপে কাম কৰিব পাৰে, কিন্তু দীৰ্ঘদিন ধৰি ভাৰতৰ সামুদ্ৰিক খণ্ডই পুৰণি আইন আৰু সীমিত ক্ষমতাৰ সৈতে যুঁজিছিল। এই ভয়ানক পৰিস্থিতি সলনি

*পশ্চিম এছিয়া অঞ্চলত চলি থকা সংঘাতৰ বাবে পৰিৱৰ্তিত সামুদ্ৰিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে তত্ত্বাৱধান তথা প্ৰস্তুতি অধিক শক্তিশালী কৰিছে। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে ভাৰতীয় নাৱিক আৰু ভাৰতীয় জাহাজৰ সুৰক্ষা নিশ্চিত কৰা আৰু নীৰৱচ্ছিন্ন সামুদ্ৰিক বাণিজ্য সুনিশ্চিত কৰা।*

কৰাৰ লক্ষ্যৰে ২০১৪ চনত এটা দূৰদৰ্শী পদক্ষেপ আৰম্ভ কৰা হৈছিল আৰু বিগত ১১ বছৰত এই খণ্ডত উল্লেখযোগ্য পৰিৱৰ্তন দেখা গৈছে। আজি ভাৰতৰ সামুদ্ৰিক খণ্ড আধুনিক হৈ পৰিছে, বিশ্বৰ আস্থা আৰু জাতীয় গৌৰৱৰ প্ৰতীক হৈ পৰিছে। ভাৰতৰ উপকূলত সভ্যতাবোৰ জাতিস্কাৰ হৈ উঠিছিল। হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতীয় বন্দৰসমূহ গুৰুত্বপূৰ্ণ বাণিজ্যিক কেন্দ্ৰ হৈ আহিছে। এই উপকূলসমূহে ভাৰতক বিশ্বৰ সৈতে সংযোগ কৰিছে। ভাৰতৰ সমৃদ্ধিৰ এটা প্ৰধান ভেটি আছিল ইয়াৰ সামুদ্ৰিক শক্তি। এই শক্তিৰ উদাহৰণ স্বয়ং ছত্ৰপতি শিৱাজী মহাৰাজে সামুদ্ৰিক বাণিজ্য আৰু সামুদ্ৰিক শক্তিক নতুন উচ্চতালৈ উন্নীত কৰিছিল। তেওঁ নতুন নীতি প্ৰণয়ন কৰিছিল আৰু দেশৰ প্ৰগতিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল। ভাৰতৰ শক্তি এসময়ত ইমানেই বেছি আছিল যে দৰীয়া সাৰং কানহোজী আংৰেই সমগ্ৰ ইষ্ট ইণ্ডিয়া কোম্পানীক আগুৰি ধৰিছিল। অৱশ্যে স্বাধীনতাৰ পাছত সেই উত্তৰাধিকাৰ অৱহেলিত হৈ পৰিল। ঔদ্যোগিক বিকাশৰ পৰা বাণিজ্যলৈ ভাৰত পিছ পৰি ৰ'ল। সামুদ্ৰিক শক্তি হিচাপে ভাৰত এসময়ত বিশ্বৰ সৰ্ববৃহৎ জাহাজ নিৰ্মাণ কেন্দ্ৰ আছিল। ভাৰতৰ উপকূলীয় ৰাজ্যসমূহত নিৰ্মিত জাহাজে ঘৰুৱা আৰু বিশ্বব্যাপী বাণিজ্যক ইন্ধন যোগাইছিল। আনকি ছয় দশকৰ আগতেও ভাৰতত নিৰ্মিত জাহাজ ব্যৱহাৰ কৰা হৈছিল। সেই সময়ত ভাৰতৰ ৪০ শতাংশতকৈ অধিক আমদানি আৰু ৰপ্তানি ঘৰুৱাভাৱে নিৰ্মিত জাহাজে চম্ভালিছিল। কিন্তু পৰৱৰ্তী সময়ত দেশৰ জাহাজ পৰিবহণ খণ্ড অৱহেলিত হৈ পৰিছিল।

ভাৰতত জাহাজ নিৰ্মাণৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে বিদেশী জাহাজ ভাড়াত লোৱাত বেছি ভাল বুলি গণ্য কৰা হৈছিল। ইয়াৰ ফলত ভাৰতৰ জাহাজ নিৰ্মাণৰ পৰিৱেশ ব্যৱস্থা স্থবিৰ হৈ পৰিল, আৰু বিদেশী জাহাজৰ ওপৰত নিৰ্ভৰশীলতা এক প্ৰয়োজনীয়তা হৈ পৰিল। ফলত ৫-৬ দশকৰ আগতে ৪০ শতাংশ ব্যৱসায় ভাৰতীয় জাহাজত হৈছিল যদিও সেই অংশ মাত্ৰ ৫ শতাংশলৈ হ্ৰাস পালে, অৰ্থাৎ আমি আমাৰ ৯৫ শতাংশ বাণিজ্যৰ বাবে বিদেশী জাহাজৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিলোঁ

সহজ ভাষাত ক'বলৈ গ'লে এই খণ্ডটোক পুনৰুজ্জীৱিত কৰাৰ



বন্দৰ নেতৃত্বাধীন উন্নয়নৰ বাবে আমি ১১ বছৰ পূৰ্বে যি লক্ষ্য নিৰ্ধাৰণ কৰিছিলো, সেই লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতে বিশেষ সফলতা লাভ কৰিছে। আমি দেশজুৰি বৃহৎ জাহাজৰ বাবে বৃহৎ বন্দৰ নিৰ্মাণ কৰিছো আৰু সাগৰমালাৰ দৰে আঁচনিৰ জৰিয়তে বন্দৰৰ সংযোগ বৃদ্ধি কৰিছো।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

বাবে বিগত দশকত কৰা প্ৰচেষ্টাৰ পূৰ্বে ভাৰতে প্ৰতি বছৰে বিদেশী জাহাজ কোম্পানীসমূহক মালবাহী জাহাজৰ বাবে প্ৰায় ৭৫ বিলিয়ন ডলাৰ বা প্ৰায় ছয় লাখ কোটি টকা দিছিল। অৰ্থাৎ ভাৰতৰ বৰ্তমানৰ প্ৰতিৰক্ষা বাজেট জাহাজ চলোৱাৰ বাবে ব্যয় কৰা ধনৰ সমানেই আছিল। এই ধনৰাশি যদি আগতে ভাৰতৰ জাহাজ উদ্যোগত বিনিয়োগ কৰা হ'লহেঁতেন, তেন্তে আজি বিশ্বই ভাৰতীয় জাহাজ ব্যৱহাৰ কৰিলেহেঁতেন। দেশখনে ধন সঞ্চয় কৰিলেহেঁতেন যিবোৰ আন জনকল্যাণমূলক প্ৰকল্পত ব্যৱহাৰ কৰিব পৰা গ'লহেঁতেন। নতুন ভাৰতে ইতিহাসৰ পৰা শিকিছে আৰু ইয়াৰ সম্ভাৱনা আৰু গৌৰৱক স্বীকাৰ কৰিছে। একে সময়তে দেশখনে সামুদ্ৰিক আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত নিৰন্তৰ নতুন মাইলৰ খুঁটি স্থাপন কৰি আছে। আজিও সামুদ্ৰিক খণ্ড ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড হৈয়েই আছে, যিয়ে দেশৰ বাণিজ্যৰ প্ৰায় ৯৫ শতাংশ আৰু মূল্যৰ হিচাপত ৭০ শতাংশ সমৰ্থন কৰে। ইয়াৰ মূলতে আছে জাহাজ নিৰ্মাণ, যাক প্ৰায়ে “গধুৰ অভিযান্ত্ৰিকতাৰ মাতৃ” বুলি কোৱা হয়। ই কেৱল নিয়োগ আৰু বিনিয়োগত যথেষ্ট অৰিহণা যোগোৱাই নহয়, ৰাষ্ট্ৰীয় নিৰাপত্তা, কৌশলগত স্বাধীনতা, আৰু বাণিজ্য আৰু শক্তি যোগান শৃংখলৰ অনুকূলতা বৃদ্ধি কৰে।

কেন্দ্ৰীয় চৰকাৰে যাতে ভাৰতত জাহাজ নিৰ্মাণ হয় আৰু ভাৰতীয় নাগৰিকক কৰ্মসংস্থাপন প্ৰদান কৰে তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু এই দিশত লাখ লাখ কোটি টকা বিনিয়োগ কৰা হৈছে। ফলত বেছিভাগ বন্দৰৰ ক্ষমতা দুগুণ হৈছে, ব্যক্তিগত বিনিয়োগ বৃদ্ধি পাইছে, আৰু জাহাজৰ অহা-যোৱাৰ সময়ো হ্ৰাস পাইছে।

ইয়াৰ ফলত উদ্যোগ আৰু ব্যৱসায়ীসকল উপকৃত হৈছে, খৰচ হ্ৰাস পাইছে। গুজৰাটৰ লোথালত আৱিষ্কাৰ হোৱা সিন্ধু উপত্যকা সভ্যতা বন্দৰ ভাৰতৰ এক উল্লেখযোগ্য ঐতিহ্য। এটা সময়ত ৮০খনতকৈও অধিক দেশৰ জাহাজে চুৰাট বন্দৰত লংগৰ পেলাইছিল। এই শক্তিৰ ওপৰত নিৰ্ভৰ কৰি চোলা সাম্ৰাজ্যই দক্ষিণ-পূব এছিয়াৰ অসংখ্য দেশলৈ নিজৰ বাণিজ্য সম্প্ৰসাৰণ কৰিছিল। গতিকে যেতিয়া বিদেশী শক্তিসমূহে ভাৰতক আক্ৰমণ কৰিছিল তেতিয়া এই শক্তিয়েই প্ৰথম লক্ষ্য আছিল। নাও আৰু জাহাজ নিৰ্মাণৰ বাবে বিখ্যাত ভাৰত আছিল এক উল্লেখযোগ্য সম্পদ। শিল্প, দক্ষতা, সকলো স্তব্ধ হৈ পৰিল। ইয়াৰ ফলত ভাৰতে সাগৰৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলালে আৰু কৌশলগত অৰ্থনৈতিক শক্তি হেৰুৱালে। আজি

> জাহাজ চলাচল খণ্ডত সংস্কাৰ ভাৰতৰ দশকজোৰা সংস্কাৰ যাত্ৰাৰ ধাৰাবাহিকতা। যদি আমি যোৱা দহ-এঘাৰ বছৰলৈ চাওঁ, তেন্তে ভাৰতৰ সামুদ্ৰিক খণ্ডৰ পৰিৱৰ্তন ঐতিহাসিক।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



# ভাৰতীয় সামুদ্ৰিক

*সামুদ্ৰিক খণ্ড ভাৰতৰ শক্তি, স্থিৰতা, আৰু ধাৰাবাহিকতাৰ প্ৰতীক। ১১,০৯৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূল, ১৩খন উপকূলীয় ৰাজ্য, প্ৰায় ১,৩০০ দ্বীপ আৰু ২, ৩৭ নিযুত বৰ্গ কিলোমিটাৰৰ একচেটিয়া অৰ্থনৈতিক অঞ্চলে ভাৰতক প্ৰাকৃতিক সামুদ্ৰিক শক্তি হিচাপে গঢ়ি তুলিছে।*

**১১,০৯৮** কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূল

**১৩** খন উপকূলীয় ৰাজ্য

**১,৩০০** টা দ্বীপ




## সামুদ্ৰিক কি ?

'সামুদ্ৰিক' মানে হৈছে সামুদ্ৰিক উদ্যোগ, নৌ পৰিবহণ, বাণিজ্য, জাহাজ নিৰ্মাণ, আৰু সামুদ্ৰিক নিৰাপত্তা, যিবোৰ অৰ্থনীতিৰ বাবে অতি গুৰুত্বপূৰ্ণ।

## সমৃদ্ধ ইতিহাস

ভাৰতৰ সামুদ্ৰিক ইতিহাস মেছ'পটেমিয়াৰ সৈতে ব্যৱসায় কৰা সিন্ধু উপত্যকা সভ্যতাৰ লোথাল (বিশ্বৰ আটাইতকৈ পুৰণি বন্দৰ)ৰ সৈতে জড়িত। লোথালত আৱিষ্কাৰ হোৱা ড্ৰাই ডক খ্ৰীষ্টপূৰ্ব ২৪০০ৰ। জাহাজৰ আশ্ৰয় আৰু মেৰামতিৰ বাবে ইয়াক বিশ্বৰ প্ৰথমটো এনে সুবিধা হিচাপে গণ্য কৰা হয়।





"ভাৰতৰ ইতিহাস আমাৰ সামুদ্ৰিক শক্তিৰ ইতিহাস। শ শ বছৰৰ আগতে যেতিয়া এনে প্ৰযুক্তি আৰু সম্পদ নাছিল, তেতিয়া আমি সাগৰ ফালি সিন্ধুদুৰ্গৰ দৰে অসংখ্য দুৰ্গ নিৰ্মাণ কৰিছিলো। ভাৰতৰ সামুদ্ৰিক শক্তি হাজাৰ হাজাৰ বছৰ পুৰণি। গুজৰাটৰ লোথালত আৱিষ্কৃত সিন্ধু উপত্যকা সভ্যতাৰ বন্দৰ আজি আমাৰ বাবে এক উল্লেখযোগ্য ঐতিহ্য"।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

ভাৰতে উন্নয়নৰ পথত আগবাঢ়ি যোৱাৰ লগে লগে এই হেৰুৱা গৌৰৱ পুনৰ লাভ কৰাৰ দিশত দ্ৰুত অগ্ৰগতি লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰে মহাসাগৰ আৰু ইয়াৰ সৈতে জড়িত সকলো খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ভাৰতে নীলা অৰ্থনীতিক অভূতপূৰ্ব গতি প্ৰদান কৰিছে।

ভাৰত সাগৰমালাৰ অধীনত বন্দৰ নেতৃত্বাধীন উন্নয়নত নিয়োজিত হৈ আছে আৰু সামুদ্ৰিক দৃষ্টিভংগীৰ অধীনত নিজৰ মহাসাগৰসমূহৰ সম্পূৰ্ণ সম্ভাৱনাক ব্যৱহাৰ কৰাৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে কৈছে, "ভাৰতত এক চহকী সামুদ্ৰিক ঐতিহ্য আছে। আমাৰ মাছমৰীয়া আৰু আমাৰ প্ৰাচীন বন্দৰ চহৰসমূহ এই ঐতিহ্যৰ প্ৰতীক। সৌৰাষ্ট্ৰৰ ভৱনগৰ এক প্ৰধান উদাহৰণ। এই ঐতিহ্যক ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণ কৰিবলৈ আৰু বিশ্ববাসীৰ আগত আমাৰ সামৰ্থ্য প্ৰদৰ্শনৰ বাবে লোথালত এটা চমকপ্ৰদ সামুদ্ৰিক সংগ্ৰহালয় নিৰ্মাণ কৰি থকা হৈছে। এইটো হ'ব বিশ্বত আটাইতকৈ ডাঙৰ সামুদ্ৰিক সংগ্ৰহালয়। ষ্টেচ্যু অৱ ইউনিটিৰ দৰে, এয়া ভাৰতৰ নতুন পৰিচয় হৈ পৰিব।"



## সামুদ্ৰিক অৰ্থনীতি

# ভাৰতৰ অৰ্থনৈতিক শক্তি সাগৰেৰে প্ৰবহমান

*ভাৰতৰ অৰ্থনৈতিক শক্তি সাগৰৰ মাজেৰে বৈ যায়। আয়তনৰ হিচাপত ভাৰতৰ বাণিজ্যৰ প্ৰায় ৯৫ শতাংশ আৰু মূল্যৰ হিচাপত প্ৰায় ৭০ শতাংশ সামুদ্ৰিক পথৰ জৰিয়তে কৰা হয়।*

**৬০%** দেশৰ জিডিপিৰ উপকূলীয় ৰাজ্যৰ পৰা আহে।

তদুপৰি, প্ৰায় ৮ কোটি লোক জীৱিকাৰ বাবে সাগৰৰ ওপৰত নিৰ্ভৰশীল।

**১০%** সামুদ্ৰিক বাণিজ্যৰ ভাৰতৰ নিয়ন্ত্ৰণত আছে।

**২০৪৭** চনৰ ভিতৰত ইয়াক তিনিগুণ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

বিশ্বৰ দ্বিতীয় বৃহত্তম মাছ উৎপাদনকাৰী দেশ ভাৰত, যি বিশ্বৰ উৎপাদনৰ ৮%।



ভাৰতৰ মীন খণ্ডই প্ৰায় ৩ কোটি লোকক জীৱিকাৰ বাবে সহায় কৰে আৰু ৰপ্তানিৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগায়।

> দক্ষতা আৰু সংযোগ বৃদ্ধিৰ বাবে যথেষ্ট কাম চলি আছে। আমি আমাৰ বন্দৰসমূহক উপকূলীয় অৰ্থনৈতিক অঞ্চল, বন্দৰভিত্তিক স্মাৰ্ট চহৰ, আৰু ঔদ্যোগিক উদ্যানৰ সৈতে একত্ৰিত কৰিছো। ইয়াৰ ফলত ঔদ্যোগিক বিনিয়োগ বৃদ্ধি পাব আৰু বন্দৰৰ ওচৰত বিশ্বব্যাপী উৎপাদন কাৰ্যকলাপক উৎসাহিত কৰিব।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

### সামুদ্ৰিক খণ্ডত বিশ্বজনীন নেতৃত্বৰ দিশত অগ্ৰসৰ

নতুন ভাৰতে নিৰ্ধাৰিত সময়ৰ আগতেই নিজৰ লক্ষ্যত উপনীত হৈছে। বন্দৰ-কেন্দ্ৰিক উন্নয়নক লৈ ভাৰতে ১১ বছৰ পূৰ্বে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হোৱাত উল্লেখযোগ্য সফলতা লাভ কৰিছে।

বৃহৎ জাহাজ ৰখাৰ বাবে সমগ্ৰ দেশতে বৃহৎ বন্দৰ নিৰ্মাণ কৰা হৈছে, আৰু সাগৰমালাৰ দৰে প্ৰকল্পই বন্দৰৰ সংযোগ বৃদ্ধি কৰিছে। বিগত ১১ বছৰত ভাৰতে বন্দৰ ক্ষমতা দুগুণ বৃদ্ধি কৰিছে। ২০১৪ চনৰ আগতে ভাৰতত জাহাজ টাৰ্ণএৰাউণ্ডৰ গড় সময় আছিল দুদিন। এতিয়া ভাৰতত জাহাজ টাৰ্ণএৰাউণ্ডৰ সময় প্ৰায় ৬০ শতাংশ হ্ৰাস পাইছে, এদিনতকৈও কম হৈছে। দেশজুৰি নতুন আৰু বৃহৎ বন্দৰো নিৰ্মাণৰ কাম চলি আছে। শেহতীয়াকৈ কেৰালামত দেশৰ প্ৰথমটো গভীৰ পানীৰ কণ্টেইনাৰ ট্ৰেন্সশ্বিপমেণ্ট বন্দৰ উদ্বোধন কৰা হৈছে। মহাৰাষ্ট্ৰত ৭৫,০০০ কোটি টকাৰো অধিক ব্যয়েৰে বাধৱন বন্দৰ নিৰ্মাণ কৰা হৈছে। ই বিশ্বৰ শীৰ্ষ ১০টা বন্দৰৰ ভিতৰত অন্যতম হ'ব।

## সামুদ্ৰিক দৃষ্টিভংগী

# ভাৰতৰ ভৱিষ্যতৰ সামুদ্ৰিক দৃষ্টিভংগী

*বিশ্বৰ সামুদ্ৰিক শক্তি হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে ভাৰতে অহৰহ সাহসী পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই প্ৰেক্ষাপটত, ২০৩০ চন পৰ্যন্ত ভাৰতে সমুদ্ৰত কিমান শক্তিশালীভাৱে থিয় দিব, সেই দৃষ্টিভংগীৰ ওপৰত কাম আৰম্ভ হৈছে। একে সময়তে ২০৪৭ৰ বিকশিত ভাৰত সামুদ্ৰিক শক্তিত কিমান শক্তিশালী হ'ব ইয়াৰো দৃষ্টিভংগী প্ৰস্তুত কৰি তাৰ ওপৰত কাম আৰম্ভ কৰা হৈছে।*



### মেৰিটাইম ইণ্ডিয়া ভিজন (এম আই ভি) ২০৩০

সামুদ্ৰিক ভাৰত দৃষ্টিভংগী ২০৩০-এ ভাৰতৰ সামুদ্ৰিক খণ্ডৰ সামগ্ৰিক উন্নয়নৰ বাবে এক বিস্তৃত কাঠামো প্ৰদান কৰে। ইয়াৰ ভিতৰত বন্দৰ, জাহাজ পৰিবহণ, জলপথ আদি অন্তৰ্ভুক্ত। এম আই ভি ২০৩০য়ে ভাৰতক বিশ্ব সামুদ্ৰিক নেতৃত্বৰ দিশত আগুৱাই নিয়াৰ লক্ষ্যৰে ১৫০টা পদক্ষেপৰ ৰূপৰেখা দাঙি ধৰিছে।

### সামুদ্ৰিক অমৃত কাল ভিজন ২০৪৭

ভাৰত কেৱল বাণিজ্যিক চাহিদা পূৰণৰ বাবে সাজু হোৱাই নহয়, সামুদ্ৰিক নেতা হিচাপেও আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে। এই ভিত্তিত, ভাৰতৰ সামুদ্ৰিক পুনৰুত্থানৰ বাবে দীৰ্ঘম্যাদী ৰোডমেপ হিচাপে সামুদ্ৰিক অমৃত কাল ভিজন ২০৪৭ প্ৰস্তুত কৰা হৈছে। ইয়াত বন্দৰ, উপকূলীয় জাহাজ, অভ্যন্তৰীণ জলপথ, জাহাজ নিৰ্মাণ, আৰু সেউজ জাহাজ চলোৱাৰ পদক্ষেপৰ বাবে প্ৰায় ৮০ লাখ কোটি টকাৰ বিনিয়োগৰ কল্পনা কৰা হৈছে।



> আজি সামুদ্ৰিক বাণিজ্যত ভাৰতৰ অংশ মাত্ৰ ১০%। আমি ইয়াক আৰু বৃদ্ধি কৰিব লাগিব। আমি ২০৪৭ চনৰ ভিতৰত বিশ্বৰ সামুদ্ৰিক বাণিজ্যত আমাৰ অংশ প্ৰায় তিনিগুণ বৃদ্ধি কৰিব বিচাৰো। আৰু আমি কৰিম।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

আজি সাগৰীয় বাণিজ্যত ভাৰতৰ অংশীদাৰিত্ব মাত্ৰ ১০ শতাংশ। ভাৰতে ২০৪৭ চনৰ ভিতৰত বিশ্বৰ সামুদ্ৰিক বাণিজ্যত নিজৰ অংশ প্ৰায় তিনিগুণ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। ৮ ট্ৰিলিয়ন টকাৰ পৰিকল্পিত বিনিয়োগ আৰু ২০৪৭ চনৰ ভিতৰত ১.৫ কোটি চাকৰিৰ সৃষ্টিৰ জৰিয়তে ভাৰত সামুদ্ৰিক খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে পৰিগণিত হ'বলৈ সাজু হৈছে। ভাৰতৰ সামুদ্ৰিক বাণিজ্য যিমানেই বৃদ্ধি পাইছে, সিমানেই নাৱিকৰ সংখ্যাও বৃদ্ধি পাইছে। এইসকল কঠোৰ পৰিশ্ৰমী পেছাদাৰী যিয়ে জাহাজ চলায়, ইঞ্জিন আৰু যন্ত্ৰপাতি ৰক্ষণাবেক্ষণ কৰে আৰু লোডিং আৰু আনলোডিং চোৱাচিতা কৰে। এদশক আগতে ১ লাখ ২৫ হাজাৰতকৈও কম নাৱিক আছিল যদিও আজি তেওঁলোকৰ সংখ্যাই ৩ লাখ অতিক্ৰম কৰিছে।

আজি ভাৰতবৰ্ষই সৰ্বাধিক সংখ্যক নাৱিকৰ যোগান ধৰি ভাৰতীয়

# সামুদ্ৰিক আন্তঃগাঁথনি

## ভাৰতৰ শক্তিশালী সামুদ্ৰিক শক্তি

ভাৰতৰ ভৱিষ্যৎ সাগৰৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত। এই কাৰণেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ চহকী সামুদ্ৰিক ঐতিহ্য আৰু সামৰ্থ্যক শক্তিশালী কৰাৰ বাবে এই খণ্ডৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ ওপৰত অহৰহ গুৰুত্ব আৰোপ কৰি আহিছে। ভাৰতৰ সামুদ্ৰিক খণ্ডত সংস্কাৰে জাহাজ নিৰ্মাণ আৰু সেউজ জাহাজ চলোৱাৰ ক্ষেত্ৰত স্পষ্ট ফলাফল প্ৰদান কৰিছে...



**৬৯,৭২৫ কোটি** টকাৰ ভাৰতৰ জাহাজ নিৰ্মাণ আৰু সামুদ্ৰিক পৰিৱেশ তন্ত্ৰক পুনৰুজ্জীৱিত কৰাৰ বাবে এক বিস্তৃত পেকেজ অনুমোদন কৰা হৈছে।

এই পেকেজৰ অধীনত, জাহাজ নিৰ্মাণ আৰ্থিক সাহায্য আঁচনি (এছবিএফএএছ) ২০৩৬ চনৰ ৩১ মাৰ্চলৈকে বৃদ্ধি কৰা হৈছে।

### জাহাজ পৰিবহণ

ভাৰতীয় জাহাজ পৰিবহণৰ ক্ষমতা (মুঠ টন) ৩৫% বৃদ্ধি পাইছে

*(ক্ষমতা নিযুত জিটিত)*




ভাৰতীয় পতাকাযুক্ত জাহাজ/জলযান




জাহাজত কাম কৰা কৰ্মচাৰীৰ সংখ্যা (নাৱিক) ১৭৪% বৃদ্ধি হোৱা দেখা গৈছে




সামুদ্ৰিক খণ্ডত মহিলা নাৱিকৰ সংখ্যা






যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰি, বিশ্বৰ শীৰ্ষ তিনিখন দেশৰ ভিতৰত স্থান লাভ কৰিছে। এসময়ত অৱহেলিত এই খণ্ডটো এতিয়া বিকশিত ভাৰতৰ ভেটি হৈ পৰিছে। তামিলনাডু আৰু দক্ষিণ ভাৰতে সৰ্বাধিক মুনাফা লাভ কৰিছে। তামিলনাডুত তিনিটা ডাঙৰ আৰু এক ডজনৰো অধিক সৰু বন্দৰ আছে। দক্ষিণৰ প্ৰায় সকলো ৰাজ্যই উপকূলৰ অপৰিসীম সম্ভাৱনাৰ সৈতে সংযুক্ত। সামুদ্ৰিক আৰু জলপথ খণ্ডৰ উন্নয়নে পোনপটীয়াকৈ তামিলনাডুৰ দৰে ৰাজ্যৰ উন্নতি সাধন কৰিছে।

যোৱা দহ বছৰত ভাৰতে লজিষ্টিক পাৰফৰমেন্স ইনডেক্সত







কেইবাটাও স্থান উৰ্ধগামী হৈ এতিয়া ৩৮ নম্বৰ স্থান লাভ কৰিছে। বিগত দশকত বন্দৰৰ ক্ষমতা দুগুণ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় জলপথৰ সম্প্ৰসাৰণ আঠগুণ হৈছে। ভাৰততো ক্ৰুজ যাত্ৰীৰ যাতায়ত চাৰিগুণ বৃদ্ধি পাইছে আৰু নাৱিকৰ সংখ্যাও দুগুণ হৈছে।

কেৱল এয়াই নহয়, 'মহাসাগৰ সামুদ্ৰিক দৃষ্টিভংগী'ৰ কাৰ্যসূচী দ্ৰুত গতিত অগ্ৰসৰ হৈ আছে। আজি ভাৰতে বিশ্বৰ যিকোনো প্ৰান্তত মানৱীয় সহায় আগবঢ়াবলৈ সক্ষমতা অৰ্জন কৰিছে। আফ্ৰিকাৰ পৰা দক্ষিণ-পূব এছিয়ালৈকে বিশ্ববাসীয়ে দুৰ্যোগৰ সময়ত ভাৰতক এজন বিশ্বস্ত বন্ধুৰূপে গণ্য কৰে। ২০১৪ চনত চুবুৰীয়া দেশ মালদ্বীপে জল সংকটৰ সন্মুখীন হৈছিল আৰু ভাৰতে অপাৰেচন নীৰ আৰম্ভ কৰিছিল; নৌসেনাই বিশুদ্ধ পানী লৈ তাত তৎক্ষণাৎ উপস্থিত হৈছিল। ২০১৭ চনত যেতিয়া শ্ৰীলংকাত ভয়াৰহ বানপানীৰ সৃষ্টি হৈছিল, তেতিয়া ভাৰতে প্ৰথমেই সহায়ৰ হাত আগবঢ়াইছিল। ২০১৮ চনত যেতিয়া ইণ্ডোনেছিয়া ছুনামীৰ ফলত বিপৰ্যস্ত হৈছিল, তেতিয়া ভাৰতে ইণ্ডোনেছিয়াৰ জনসাধাৰণৰ সৈতে সহায় আৰু উদ্ধাৰ অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল।



## সাগৰমালা কাৰ্যসূচী

সাগৰমালা কাৰ্যসূচীৰ অধীনত ৮৩৯টা প্ৰকল্প চিনাক্ত কৰা হৈছে, যাৰ আনুমানিক ব্যয় প্ৰায় ৫.৭৯ লাখ কোটি টকা। ১১৯টা প্ৰকল্প ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব (পিপিপি) মোডৰ জৰিয়তে ৰূপায়ণ কৰি থকা হৈছে।

**২৮০** টা প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে

**১.৪২** লাখ কোটি টকা বিনিয়োগ কৰা হৈছে

- ১.৬২ লাখ কোটি টকা মূল্যৰ ২০৯টা প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে, আনহাতে ২.৭৫ লাখ কোটি টকা মূল্যৰ ৩৫৩টা প্ৰকল্প উন্নয়নৰ বিভিন্ন পৰ্যায়ত আছে।
- ৩৫, ৪২৩ কোটি টকা মূল্যৰ ১০৬টা বন্দৰ আধুনিকীকৰণ প্ৰকল্প সম্পূৰ্ণ হৈছে।
- ৫৮, ৬২৮ কোটি টকা মূল্যৰ ৯৬টা বন্দৰ সংযোগ (পথ আৰু ৰে'ল) প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে।
- ৯টা বন্দৰ ঔদ্যোগীকৰণ প্ৰকল্প ৪৫,৮৬৫ কোটি টকা মূল্যৰ সম্পূৰ্ণ হৈছে, যাৰ ফলত ৮,০০০ একৰতকৈ অধিক ভূমিৰ ঔদ্যোগীকৰণ হৈছে।
- ১১,৫৭৩ কোটি টকা ব্যয় সাপেক্ষে ৮১টা উপকূলীয় সম্প্ৰদায় উন্নয়ন প্ৰকল্প আৰম্ভ কৰা হৈছিল। ইয়াৰে প্ৰায় ২,০০০ কোটি টকা মূল্যৰ ২৩টা প্ৰকল্প সম্পূৰ্ণ হৈছে।
- ১,০৭৮ কোটি টকা মূল্যৰ ১২টা মাছ ধৰা বন্দৰ প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে, যাৰ ফলত ৩৫,০০০ৰো অধিক মাছমৰীয়া উপকৃত হৈছে।

> জাহাজ পৰিবহণ খণ্ডত মানৱ সম্পদৰ ক্ষেত্ৰত ভাৰতে পাৰদৰ্শিতা দেখুৱাইছে। যোৱা দশকত ভাৰতীয় নাৱিকৰ সংখ্যা ১.২৫ লাখৰ পৰা ৩ লাখৰো অধিকলৈ বৃদ্ধি পাইছে। পৃথিৱীৰ যিকোনো উপকূললৈ গ'লে জাহাজত ভাৰতীয় নাৱিক পাবই। আজি ভাৰত নাৱিকৰ সংখ্যাৰ ফালৰ পৰা বিশ্বৰ শীৰ্ষ তিনিখন দেশৰ ভিতৰত অন্যতম হৈ পৰিছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

- ৬৪০ কোটি টকা মূল্যৰ নগৰীয়া জল পৰিবহণৰ সৈতে জড়িত ১৮টা প্ৰকল্প সম্পূৰ্ণ হৈছে, যাৰ ফলত পথ আৰু ৰে'ল যাতায়তৰ ক্ষেত্ৰত চাপ হ্ৰাস পাইছে।
- ৪৩০ কোটি টকা বিনিয়োগেৰে ছটা নিবেদিত উপকূলীয় বাৰ্থ নিৰ্মাণ কৰা হৈছে।

কেপেক্স (মূলধনী ব্যয়) ২২৮% বৃদ্ধি পাইছে।






## দেশৰ প্ৰধান বন্দৰসমূহ

*প্ৰতীকী মানচিত্ৰ




**১২** টা ডাঙৰ বন্দৰ চৰকাৰী মালিকানাধীন

**২১৭** টা ক্ষুদ্ৰ আৰু মধ্যৱৰ্তী বন্দৰ

### নৌসেনাৰ বাজেট

**৪৯,৬২৩** কোটি টকা
২০২০-২১

**১,০৩,৫৪৮** কোটি টকা
২০২৫-২৬






## ক্ৰমাৎ বৃদ্ধি পোৱা থকা কৌশলগত গুৰুত্ব

**আইএনএছ বিক্ৰান্ত**

ভাৰতৰ প্ৰথমখন থলুৱা বিমানবাহী জাহাজ ২০২২ চনৰ ২ ছেপ্টেম্বৰত ভাৰতীয় নৌসেনাত আনুষ্ঠানিকভাৱে কমিচন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আইএনএছ বিক্ৰান্তত ২০২৫ চনৰ দেৱালী উৎসৱ উদযাপন কৰে।

- ৯০,০০০ কোটি টকা ব্যয়ৰে দেশত ৫১খন বৃহৎ জাহাজ নিৰ্মাণৰ কাম বৰ্তমানো অগ্ৰগতি লাভ কৰি আছে।
- নৌসেনাত ১০০ আৰু ১০১ সংখ্যক থলুৱা যুদ্ধজাহাজ, আইএনএছ উদয়গিৰি আৰু আইএনএছ হিমগিৰি, আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্ত কৰা হৈছে।
- ভাৰতীয় জাহাজ নিৰ্মাণ কাৰখানাসমূহে ২০১৪ চনৰ পৰা নৌসেনালৈ ৪০খনতকৈ অধিক থলুৱা যুদ্ধজাহাজ আৰু চাবমেৰিন যোগান ধৰিছে, য'ত যোৱা এটা বছৰত গড়ে প্ৰতি ৪০ দিনৰ অন্তৰে এখন নতুন জাহাজ অন্তৰ্ভুক্ত কৰা হৈছে।



- প্ৰতিৰক্ষা ব্যয়ত নৌসেনাৰ অংশ ১৫%ৰ পৰা ২১%লৈ বৃদ্ধি পায়।
- ২০২৬ চনৰ ২৭ ফেব্ৰুৱাৰীতো নৌসেনাত যোগদান কৰে আইএনএছ আঞ্জাদিপে
- ২০২৫ চনত উদয়াগিৰি (এফ৩৫) আৰু হিমগিৰি (এফ৩৪) নামৰ দুখন অত্যাধুনিক ফ্ৰন্টলাইন ফ্ৰিগেটক নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছিল। এয়া প্ৰথমবাৰৰ বাবে একেলগে দুখন বৃহৎ যুঁজাৰু জাহাজ।

একেদৰে ম্যানমাৰৰ ভূমিকম্পৰ ফলত হোৱা ধ্বংসলীলা হওক বা ২০১৯ চনত মোজাম্বিক আৰু ২০২০ চনত মাদাগাস্কাৰৰ সংকটেই হওক ভাৰতে সেৱাৰ মনোভাৱেৰে হাত আগবঢ়াইছিল। আনকি ক'ভিডৰ সময়তো সাগৰীয় পথেৰে মানুহক ঘূৰাই অনাৰ বাবে অপাৰেচন সমুদ্ৰ সেতু আৰম্ভ কৰা হৈছিল। অৰ্থাৎ সামুদ্ৰিক শক্তি কেৱল কৌশলগতই নহয়, মানৱতাৰ স্বাৰ্থৰো এক গুৰুত্বপূৰ্ণ ৰক্ষকো।

### নীতি পৰিৱৰ্তন...

### যাতে উপকূলবোৰ সমৃদ্ধিৰ দুৱাৰমুখ হৈ পৰিছে

দেশৰ সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ বাবে নীতিগত পৰিৱৰ্তন

# শক্তিশালী পদক্ষেপ

## সামুদ্ৰিক শক্তি সবল কৰাৰ পদক্ষেপ

লোথাল মিউজিয়াম



### সামুদ্ৰিক ঐতিহ্যৰ ভিতৰত এটা দৃষ্টি

গুজৰাটৰ লোথালত সামুদ্ৰিক ঐতিহ্য শক্তিশালী কৰাৰ বাবে ভাৰত আৰু নেদাৰলেণ্ডে চুক্তি স্বাক্ষৰ কৰিছে। এই চুক্তিখন ভাৰতৰ ৪৫০০ বছৰীয়া চহকী সামুদ্ৰিক ঐতিহ্যক বিশ্বৰ মঞ্চলৈ উন্নীত কৰাৰ দিশত এক ঐতিহাসিক পদক্ষেপ। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এবাৰ সম্পূৰ্ণ হ'লে ই হ'ব বিশ্বৰ সৰ্ববৃহৎ সামুদ্ৰিক সংগ্ৰহালয়। ইয়াত ভাৰতৰ প্ৰাচীন সামুদ্ৰিক পৰম্পৰা প্ৰদৰ্শন কৰা হ'ব আৰু ইয়াৰ উপৰি ই পৰ্যটন, গৱেষণা, শিক্ষা, আৰু দক্ষতা বিকাশৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হ'ব।

### সামুদ্ৰিক বিশ্ববিদ্যালয়

ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় (আইএমইউ) চেন্নাইত মুখ্য কাৰ্যালয় থকা কেন্দ্ৰীয় বিশ্ববিদ্যালয়। আইএমইউৰ চেন্নাই, কলকাতা, বিশাখাপট্টনম, কোচি, মুম্বাই বন্দৰ আৰু নভি মুম্বাইত ছটা প্ৰতিষ্ঠান আৰু ইয়াৰ লগত জড়িত ১৭টা প্ৰতিষ্ঠান আছে। ২০২৫ চনৰ ৮ এপ্ৰিলত কেন্দ্ৰীয় বন্দৰ, জাহাজ, আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সমগ্ৰ দেশৰ ছটা ভাৰতীয় সামুদ্ৰিক বিশ্ববিদ্যালয় (আইএমইউ) চৌহদত ৬৭.৭৭ কোটি টকাৰ ২৬টা প্ৰকল্প উদ্বোধন কৰে।

### সাগৰ সন্মান বঁটা

সাগৰ সন্মান বঁটা সামুদ্ৰিক খণ্ডলৈ আগবঢ়োৱা অসাধাৰণ অৱদানক স্বীকৃতি দিবলৈ দিয়া হয়। সাধাৰণতে বছৰি ৫ এপ্ৰিল অৰ্থাৎ ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱসত ইয়াক উপস্থাপন কৰা হয়। এই বঁটাটোৱে শেহতীয়া বছৰবোৰত বিশেষভাৱে প্ৰাধান্য লাভ কৰিছে। ভাৰত চৰকাৰৰ নীতিগত পদক্ষেপৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰে "সাগৰ মে সন্মান" পদক্ষেপ আৰম্ভ কৰে। ইয়াৰ উদ্দেশ্য হৈছে ভৱিষ্যতৰ বাবে লিংগ-সমতাৰে সামুদ্ৰিক কৰ্মশক্তি সৃষ্টি কৰা।

> ভাৰতত নিৰ্মিত জাহাজসমূহ এসময়ত বিশ্ব বাণিজ্যৰ এক গুৰুত্বপূৰ্ণ অংগ আছিল। পিছত আমি জাহাজ ভাঙি যোৱাৰ ক্ষেত্ৰখনলৈ গুচি আহিলোঁ। এতিয়া ভাৰতে পুনৰবাৰ জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত নতুন উচ্চতাত উপনীত হোৱাৰ প্ৰচেষ্টা ত্বৰান্বিত কৰিছে। আমি এতিয়া বৃহৎ জাহাজক আন্তঃগাঁথনি সম্পত্তিৰ মৰ্যাদা প্ৰদান কৰিছো।
>
> *নৰেন্দ্ৰ মোদী*
>
> *প্ৰধানমন্ত্ৰী*



কৰা হৈছে। চৰকাৰে এতিয়া বৃহৎ জাহাজক আন্তঃগাঁথনি হিচাপে স্বীকৃতি দিছে।

যেতিয়া কোনো খণ্ডক আন্তঃগাঁথনি হিচাপে স্বীকৃতি দিয়া হয়, তেতিয়া ইয়াৰ লাভ স্বাভাৱিকভাৱে দেখা যায়। এতিয়া বৃহৎ জাহাজ নিৰ্মাণ কোম্পানীসমূহে বেংকৰ পৰা ঋণ লোৱাটো সহজ হৈ পৰিছে আৰু সুতৰ হাৰৰ ৰেহাই লাভ কৰিছে। এই জাহাজ নিৰ্মাণ কোম্পানীসমূহেও আন্তঃগাঁথনিৰ বিত্তীয় সাহায্যৰ সকলো সুবিধা লাভ কৰি আছে। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তই ভাৰতীয় জাহাজ কোম্পানীসমূহৰ ওপৰত বোজা কমাই বিশ্বজুৰি প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাত সহায় কৰিছে। ভাৰতক বিশ্বৰ এক বৃহৎ সামুদ্ৰিক শক্তি হিচাপে গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৰু তিনিখন বৃহৎ আঁচনিৰ কাম কৰি আছে। এই তিনিখন আঁচনিৰ





## সেউজ বন্দৰৰ নিৰ্দেশনাৰ উল্লেখযোগ্য দিশসমূহ

প্ৰতি টন মালবাহী সামগ্ৰীত কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে

২০৩০ — ৩০%

২০৪৭ — ৭০%

নবীকৰণযোগ্য শক্তিৰ অংশ ১০০%তকৈ অধিককৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে

২০৩০ — ৬০%

২০৪৭ — ৯০%



- ২০২৫ চনৰ ভিতৰত নিউ মাংগালোৰ বন্দৰে ১০০% সৌৰশক্তিৰ সংহতি লাভ কৰিছিল, যিটো নবীকৰণযোগ্য শক্তি গ্ৰহণৰ বাবে এক মাপকাঠী।
- পৰিৱেশৰ মান উন্নত কৰাৰ বাবে বন্দৰটোৱে ২০৩০ চনৰ ভিতৰত ২০%তকৈ অধিক আৰু ২০৪৭ চনৰ ভিতৰত ৩৩%তকৈ অধিক সেউজ আৱৰণ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে।
- উন্নত সম্পদ ব্যৱস্থাপনা আৰু ১০০% বৰ্জ্য পানীৰ পুনৰ ব্যৱহাৰৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত বন্দৰসমূহে পৰিষ্কাৰ পানীৰ ব্যৱহাৰ চল্লিশতকৈ অধিক হ্ৰাস কৰিব লাগিব।

### পৰ্যটন

সাগৰীয় ক্ৰুজ যাত্ৰী ৪৮০% বৃদ্ধি পাইছে




নদী ক্ৰুজৰ বাবে নিৰ্ধাৰণ কৰা ৰাষ্ট্ৰীয় জলপথ




লাইটহাউচ দৰ্শনাৰ্থীৰ সংখ্যা

৩৩০% বৃদ্ধি




বিশ্বৰ আটাইতকৈ দীঘলীয়া নদী ক্ৰুজ ‘গংগা বিলাসে’ বাৰাণসীৰ পৰা ভাৰত-বাংলাদেশ প্ৰট’কল পথেৰে ডিব্ৰুগড়লৈ ৩২০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিছিল। ২০২৩ চনত ইয়াৰ প্ৰথম যাত্ৰা সম্পূৰ্ণ হয়।

জৰিয়তে জাহাজ নিৰ্মাণ খণ্ডলৈ আৰ্থিক সাহায্যৰ সুবিধা হ’ব আৰু লগতে জাহাজ নিৰ্মাণ কাৰখানাসমূহে আধুনিক প্ৰযুক্তি গ্ৰহণ কৰাৰ লগতে ডিজাইন আৰু গুণগত মান উন্নত কৰাত বহুখিনি সহায় কৰিব। অনাগত বছৰবোৰত এই আঁচনিসমূহৰ বাবে ৭০,০০০ কোটিতকৈ অধিক টকা ব্যয় কৰা হ’ব। জাহাজ নিৰ্মাণ কোনো সাধাৰণ উদ্যোগ নহয়। ইয়াক বিশ্বজুৰি সকলো উদ্যোগৰ মাতৃ হিচাপে জনা যায়। ই কেৱল এখন জাহাজ নিৰ্মাণ কৰাই নহয়, ইয়াৰ লগত জড়িত উদ্যোগসমূহো সম্প্ৰসাৰণ কৰে। তীখা, যন্ত্ৰপাতি, ইলেক্ট্ৰনিকছ, বস্ত্ৰশিল্প, ৰং, আই টি ব্যৱস্থাকে ধৰি অসংখ্য উদ্যোগে জাহাজ উদ্যোগৰ পৰা লাভৱান হয়। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে লাভৱান হয়। অধ্যয়নত দেখা গৈছে যে জাহাজ নিৰ্মাণত বিনিয়োগ কৰা প্ৰতিটো টকাই অৰ্থনীতিৰ বিনিয়োগ প্ৰায় দুগুণ বৃদ্ধি কৰে। জাহাজ নিৰ্মাণ কাৰখানাত সৃষ্টি হোৱা প্ৰতিটো চাকৰিৰ ফলত যোগান শৃংখলত ছয়ৰ পৰা সাতটা নতুন চাকৰিৰ সৃষ্টি হয়। অৰ্থাৎ জাহাজ নিৰ্মাণ উদ্যোগত যদি ১০০টা চাকৰিৰ সৃষ্টি হয়, তেন্তে আন আন খণ্ডত ৬০০ৰো অধিক চাকৰিৰ সৃষ্টি



## আইনী সংস্কাৰ

# সামুদ্ৰিক খণ্ডত বৃদ্ধি ত্বৰান্বিত

ভাৰতৰ সামুদ্ৰিক আৰু অভ্যন্তৰীণ জল পৰিবহণ খণ্ডক আধুনিকীকৰণ আৰু প্ৰতিযোগিতামূলক কৰি তোলাৰ বাবে চৰকাৰে ব্যাপক আইনী সংস্কাৰ হাতত লৈছে। ২০২৫ চনত সংসদত উত্থাপন কৰা বিভিন্ন আইন আৰু নতুন বিধেয়কৰ জৰিয়তে এই খণ্ডটোৱে শক্তিশালী স্থান লাভ কৰিছে...

**আইন**

- ৰাষ্ট্ৰীয় জলপথ আইন, ২০১৬
- দ্য এডমিৰালটি (জুৰিচিডিকচন এণ্ড ছেটেলমেণ্ট অৱ মেৰিটাইম ক্লেইমছ) আইন, ২০১৭
- জাহাজৰ পুনঃব্যৱহাৰ আইন, ২০১৯
- মুখ্য বন্দৰ কৰ্তৃপক্ষ আইন, ২০২১
- আভ্যন্তৰীণ জাহাজ আইন, ২০২১
- মেৰিন এইডছ টু নেভিগেচন আইন, ২০২১

**২০২৫ চনত সংসদত গৃহীত ৫খন নতুন বিধেয়ক...**

- উপকূলীয় জাহাজ বিধেয়ক, ২০২৫
- সাগৰৰ দ্বাৰা সামগ্ৰী কঢ়িয়াই নিয়াৰ বিধেয়ক, ২০২৫
- বিলছ অৱ লেডিং বিধেয়ক, ২০২৫
- মাৰ্চেণ্ট শ্বিপিং বিধেয়ক, ২০২৫
- ভাৰতীয় বন্দৰ বিধেয়ক, ২০২৫

এই খণ্ডত ব্যৱসায় কৰাত সহজতা বৃদ্ধিৰ বাবে প্ৰায় ৫০টা নিয়ম, বিধি, নীতি, আৰু নিৰ্দেশনা কাৰ্যকৰী কৰা হৈছে।

> “এই ভূমি ছত্ৰপতি শিৱাজী মহাৰাজৰ ভূমি। ছত্ৰপতি শিৱাজী মহাৰাজে কেৱল সামুদ্ৰিক সুৰক্ষাৰ ভেটি স্থাপন কৰাই নহয় আৰব সাগৰৰ বাণিজ্যিক পথৰ ওপৰেৰে ভাৰতীয় শক্তিৰ দৃঢ়তাও প্ৰকাশ কৰিছিল। তেওঁৰ দৃষ্টিভংগীয়ে আমাক দেখুৱাইছিল যে সাগৰবোৰ কেৱল সীমা নহয় বৰঞ্চ সুযোগৰ দুৱাৰো। আজি ভাৰতেও একে দৃষ্টিভংগীৰে আগবাঢ়িছে”
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

হয়। এই খণ্ডই এক উল্লেখযোগ্য প্ৰভাৱৰ সৃষ্টি কৰে।

২০৪৭ চনৰ ভিতৰত যদি ভাৰতে এখন বিকশিত ৰাষ্ট্ৰ হ'ব বিচাৰে, তেতিয়া দেশখনে স্বাধীনতাৰ এশ বছৰীয়া জয়ন্তী উদযাপন কৰাৰ সময়ত ভাৰত আত্মনিৰ্ভৰ হ'ব লাগিব। আত্মনিৰ্ভৰশীল হোৱাৰ বাহিৰে ভাৰতৰ হাতত আন উপায় নাই। ১.৪ বিলিয়ন নাগৰিকে এটা গুৰুত্বপূৰ্ণ সংকল্প লৈছে: চিপেই হওক বা জাহাজেই, আমি ভাৰতত নিৰ্মাণ কৰিম। এই দৃষ্টিভংগীৰে ভাৰতৰ সামুদ্ৰিক খণ্ডই পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰসমূহ সুসংগঠিতভাৱে ৰূপায়ণ কৰি আহিছে। দেশৰ প্ৰতিটো বৃহৎ বন্দৰে বিভিন্ন নথি-পত্ৰ আৰু জটিল পদ্ধতিৰ পৰা নিজকে মুক্ত কৰি তুলিবলৈ সক্ষম হৈছে। “এক ৰাষ্ট্ৰ, এক নথি” আৰু “এক ৰাষ্ট্ৰ, এক বন্দৰ” প্ৰক্ৰিয়াই বাণিজ্যিক ব্যৱস্থাক অধিক সৰল, স্বচ্ছ আৰু দক্ষ কৰি তুলিছে। এই উদ্দেশ্যে ব্ৰিটিছ যুগৰ পৰা প্ৰচলিত আইনসমূহ আধুনিক প্ৰয়োজন অনুসৰি পুনৰসংগঠিত আৰু সংশোধিত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে সামুদ্ৰিক খণ্ডত ব্যাপক সংস্কাৰ সাধন কৰি পাঁচখন সামুদ্ৰিক আইন নতুন ৰূপত প্ৰৱৰ্তন কৰিছে। এই আইনসমূহে জাহাজ চলোৱা খণ্ড আৰু

# ভাৰতৰ ৰেংকিং

## বন্দৰ আৰু লজিষ্টিকছৰ ক্ষেত্ৰত ভাৰতৰ ৰেংকিঙৰ উন্নতি ঘটিছে

যোৱা কেইবছৰমানৰ পৰা বন্দৰৰ আন্তঃগাঁথনি, ডিজিটেল লজিষ্টিক, আৰু কাৰ্যকৰী দক্ষতাৰ উন্নতিৰ বাবে বিশ্বৰ মঞ্চত ভাৰতৰ স্থিতি শক্তিশালী হৈছে। বিশ্ব বেংকৰ কণ্টেইনাৰ প'ৰ্ট পাৰফৰমেন্স ইনডেস্ক আৰু লজিষ্টিকছ পাৰফৰমেন্স ইনডেস্কত ভাৰতীয় বন্দৰসমূহৰ উন্নত ৰেংকিঙে এই ৰূপান্তৰক বৈধতা প্ৰদান কৰে।



**বন্দৰসমূহ**

- বিশ্ব বেংকৰ কণ্টেইনাৰ প'ৰ্ট পাৰফৰমেন্স ইনডেস্ক (চিপিপিআই) অনুসৰি ২০২৩-২৪ চনত প্ৰথমবাৰৰ বাবে দুটা ভাৰতীয় বন্দৰক বিশ্বৰ শীৰ্ষ ৩০টা বন্দৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হয়।
- বিশ্ব বেংকৰ লজিষ্টিক পাৰফৰমেন্স ইনডেস্ক (এলপিআই)ত আন্তঃৰাষ্ট্ৰীয় চালান শাখাত ভাৰতৰ ৰেংকিং ২০১৩-১৪ চনত ৪৪ নম্বৰৰ পৰা ২০২৪-২৫ চনত ২২ সংখ্য স্থানলৈ উন্নত হৈছে।

> দেশৰ সামুদ্ৰিক খণ্ডক নতুন উচ্চতা প্ৰদানৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৱো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত বিগত ১০ বছৰত হাজাৰ হাজাৰ কোটি টকা বিনিয়োগ কৰা হৈছে। এই অংশীদাৰিত্বৰ জৰিয়তে আমাৰ বন্দৰসমূহ কেৱল বিশ্বব্যাপী মানলৈ উন্নীত কৰাই নহয়, ভৱিষ্যতৰ বাবেও সাজু হৈছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



বন্দৰ শাসন ব্যৱস্থাত এক উল্লেখযোগ্য পৰিৱৰ্তনৰ সূচনা কৰিছে। নিঃসন্দেহে ভাৰতবৰ্ষ যুগ যুগ ধৰি বৃহৎ জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত এক অগ্ৰণী বিশেষজ্ঞ হিচাপে পৰিচিত। পৰৱৰ্তী প্ৰজন্মৰ এই সংস্কাৰসমূহে দেশৰ এই প্ৰায় বিস্মৃত গৌৰৱ পুনৰুদ্ধাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বিগত দশকত চল্লিশখনতকৈ অধিক জাহাজ আৰু চাবমেৰিন ভাৰতীয় নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। দুই-এখনৰ বাহিৰে এই সকলোবোৰেই ভাৰততেই নিৰ্মিত হৈছিল। বিশাল আইএনএছ বিক্ৰান্তো ভাৰততেই নিৰ্মাণ কৰা হৈছিল আৰু ইয়াৰ নিৰ্মাণত ব্যৱহৃত উচ্চমানৰ তীখাও দেশীয়ভাৱে উৎপাদিত হৈছিল। অৰ্থাৎ নীতি-পৰিৱৰ্তনৰ জৰিয়তে আজি ভাৰতৰ নেতৃত্বই দেশৰ অন্তৰ্নিহিত শক্তি আৰু দক্ষতাক সুদৃঢ় ৰাজনৈতিক ইচ্ছাশক্তি আৰু আত্মবিশ্বাসেৰে সমৰ্থন জনাইছে, যাতে ভাৰতৰ উপকূলীয় অঞ্চলসমূহ দেশৰ সমৃদ্ধিৰ এক শক্তিশালী দুৱাৰমুখ হিচাপে আত্মপ্ৰকাশ কৰিব পাৰে।

নতুন পদক্ষেপসমূহৰ জৰিয়তে ভাৰত এখন শক্তিশালী সামুদ্ৰিক শক্তিলৈ পৰিণত হৈছে। একবিংশ শতিকাত দেশৰ সামৰিক সামৰ্থ্য বৃদ্ধি কৰাটো ভাৰতৰ অন্যতম প্ৰধান অগ্ৰাধিকাৰ হিচাপে পৰিগণিত হৈছে। স্থলপথ, বায়ুপথ, গভীৰ সাগৰ অথবা মহাকাশৰ বিস্তৃত পৰিসৰ-সকলো ক্ষেত্ৰতেই ভাৰত নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰি আগবাঢ়ি গৈ আছে।

ইয়াৰ বাবে নিৰন্তৰ আৰু সুসংগঠিত সংস্কাৰ প্ৰক্ৰিয়া অব্যাহত আছে। দীৰ্ঘদিন ধৰি সীমান্ত আৰু উপকূলীয় সংযোগী আন্তঃগাঁথনি অৱহেলিত অৱস্থাত আছিল। এই ক্ষেত্ৰত যোৱা দহ বছৰত অভূতপূৰ্ব অগ্ৰগতি সাধিত হৈছে। বিগত দশকত ভাৰতেও নিজৰ



ভাৰতে ২০৪৭ চনৰ ভিতৰত আঠ ট্ৰিলিয়ন টকাৰ পৰিকল্পিত বিনিয়োগ আৰু ডেৰ কোটি চাকৰিৰ সৃষ্টিৰে সামুদ্ৰিক খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে পৰিগণিত হ'বলৈ সাজু হৈছে। আমাৰ সামুদ্ৰিক অমৃত কালৰ দৃষ্টিভংগী সমৃদ্ধি, বহনক্ষমতা আৰু আমাৰ সামুদ্ৰিক ঐতিহ্যৰ প্ৰতি গৌৰৱৰ ওপৰত প্ৰতিস্থিত, যিটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনৰ বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ সৈতে সম্পূৰ্ণৰূপে মিল আছে।

*সৰ্বানন্দ সোণোৱাল*

*কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী*



দুৰ্গম দ্বীপসমূহৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। আনকি জনবসতিহীন এই দ্বীপসমূহকো নিৰন্তৰভাৱে নিৰীক্ষণ আৰু পৰ্যবেক্ষণৰ আওতাত ৰখা হৈছে। তদুপৰি, এই দ্বীপসমূহৰ বাবে এক নতুন পৰিচয় গঢ়ি তোলা হৈছে আৰু তেওঁলোকক নতুন নাম প্ৰদান কৰা হৈছে। ভাৰত মহাসাগৰৰ সাগৰতলীত অৱস্থিত সাগৰীয় পৰ্বতমালাসমূহৰ নামো নিৰ্ধাৰণ কৰা হৈছে। ২০২৪ চনত ভাৰতৰ উদ্যোগত এটা আন্তঃৰাষ্ট্ৰীয় সংস্থাই এনে পাঁচটা স্থানৰ নাম আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছে। ভাৰত মহাসাগৰত অশোক ছিমাউণ্ট, হৰ্ষবৰ্ধন চি-মাউণ্ট, ৰাজাৰাজা চোলা ছিমাউণ্ট, কল্পতৰু ৰিজ, আৰু চন্দ্ৰগুপ্ত ৰিজে ভাৰতৰ গৌৰৱ আৰু ঐতিহ্য অধিক উজ্জ্বল কৰি তুলিছে।

দেশৰ সামুদ্ৰিক খণ্ডক নতুন উচ্চতালৈ উন্নীত কৰাত ব্যক্তিগত খণ্ডয়ো গুৰুত্বপূৰ্ণ আৰু সক্ৰিয় ভূমিকা পালন কৰিছে। ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ আধাৰত বিগত ১০-১১ বছৰত হাজাৰ হাজাৰ কোটি টকাৰ ব্যাপক বিনিয়োগ সম্পন্ন কৰা হৈছে। এই অংশীদাৰিত্বই বন্দৰসমূহক কেৱল বিশ্বমানৰ মানদণ্ডলৈ উন্নীত কৰাই নহয়, ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈও সুসজ্জিত কৰি তুলিছে। ব্যক্তিগত খণ্ডৰ সক্ৰিয় অংশগ্ৰহণে উদ্ভাৱনী ক্ষমতা আৰু কাৰ্যক্ষমতা দুয়োটাকেই যথেষ্ট পৰিমাণে শক্তিশালী কৰি তুলিছে।

নিশ্চিতভাৱে ভাৰতৰ দীঘলীয়া উপকূল, কৌশলগতভাৱে গুৰুত্বপূৰ্ণ বিশ্ব বাণিজ্যিক পথসমূহ, বিশ্বমানৰ বন্দৰসমূহ, আৰু নীলা অৰ্থনীতিৰ বাবে এক বহল, সুদূৰপ্ৰসাৰী আৰু অভিলাষী দৃষ্টিভংগী বিদ্যমান। আজি ভাৰতৰ শক্তিশালী আন্তঃগাঁথনি, উন্নত উদ্ভাৱনী শক্তি আৰু এক স্পষ্ট আৰু সুদৃঢ় দৃষ্টিভংগী আছে। এই খণ্ডই এক নতুন পৰিৱেশ তন্ত্ৰৰ পৰা গতিশীলতা লাভ কৰিছে, আৰু ভাৰতৰ পুনৰুত্থানশীল সামুদ্ৰিক উন্নয়ন যাত্ৰাত সমগ্ৰ বিশ্বই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে।





# জল জীৱন মিছন ২.০

## তিনিটা ডাঙৰ সংযোগ প্ৰকল্পও অনুমোদিত হৈছে

কেন্দ্ৰীয় চৰকাৰৰ জনকল্যাণৰ প্ৰতি থকা দায়বদ্ধতাৰ ফলত কেন্দ্ৰীয় কেবিনেটে জল জীৱন মিছন ২.০ অনুমোদন জনাইছে। এই সিদ্ধান্তই গ্ৰাম্য পৰিয়ালসমূহৰ বাবে নলৰ জৰিয়তে বিশুদ্ধ খোৱাপানীৰ সুবিধা নিশ্চিত কৰাই নহয়, পানী ব্যৱস্থাপনাও উন্নত কৰিব। ইয়াৰ উপৰিও কেবিনেটে আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱত অনুমোদন জনায়, য'ত তিনিটা ডাঙৰ সংযোগ প্ৰকল্প: পশ্চিম বংগ-ঝাৰখণ্ড মাল্টি ট্ৰেকিং ৰেল প্ৰকল্প, জেৱাৰ-দিল্লী এনচিআৰ গ্ৰীণফিল্ড কৰিডৰ, আৰু ৪ লেনযুক্ত উজ্জয়ীন-দিল্লী-মুম্বাই এক্সপ্ৰেছৱে। এই প্ৰকল্পসমূহে নিয়োগ, পৰ্যটন আৰু এই ক্ষেত্ৰত উদ্যোগ বৃদ্ধি কৰিব...

**সিদ্ধান্তঃ** ২০২৮ চনৰ ডিচেম্বৰ মাহলৈকে জল জীৱন মিছন (জেজেএম) বৃদ্ধিৰ অনুমোদন। বাজেট বৃদ্ধি কৰি ইয়াক জেজেএম ২.০ হিচাপে পুনৰ্গঠন কৰা হ'ব।

**প্ৰভাৱঃ** ২০১৯-২০ চনত অনুমোদিত ২.০৮ লাখ কোটি টকাৰ পৰা বৃদ্ধি কৰি মুঠ ব্যয় কেন্দ্ৰীয় ৩.৫৯ লাখ কোটি টকাৰে মুঠ ব্যয় ৮.৬৯ লাখ কোটি টকালৈ বৃদ্ধিৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনাইছে, যিটো ২০১৯-২০ চনত অনুমোদিত ২.০৮ লাখ কোটি টকাৰ পৰা বৃদ্ধি পাইছে, অৰ্থাৎ অতিৰিক্ত কেন্দ্ৰীয় অংশীদাৰিত্ব ১.৫১ লাখ কোটি টকা।

- কেৱল আন্তঃগাঁথনিৰ ওপৰতে নহয়, মানুহক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিবলৈ এই অভিযানৰ পুনৰ্গঠন কৰা হ'ব। ইয়াৰ দ্বাৰা খোৱাপানী ব্যৱস্থাপনা আৰু প্ৰতিষ্ঠানিক ব্যৱস্থা শক্তিশালী হ'ব যাতে গ্ৰাম্য অঞ্চলত খোৱাপানীৰ বহনক্ষম যোগান নিশ্চিত হয়।
- সমগ্ৰ দেশতে খোৱাপানীৰ যোগান ব্যৱস্থাৰ উৎসৰ পৰা নললৈ ডিজিটেল মেপ কৰিবলৈ 'সুজালাম ভাৰত' নামৰ এক একেধৰণৰ ৰাষ্ট্ৰীয় ডিজিটেল কাঠামো ৰূপায়ণ কৰা হ'ব।
- জেজেএম ২.০ৰ অধীনত ২০২৮ চনৰ ডিচেম্বৰৰ ভিতৰত সমগ্ৰ দেশৰ সকলো ১৯.৩৬ কোটি গ্ৰাম্য পৰিয়াললৈ টেপৰ পানীৰ সংযোগ প্ৰদান কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**সিদ্ধান্তঃ** মধ্যপ্ৰদেশৰ দিল্লী-মুম্বাই এক্সপ্ৰেছৱে (এনএইচ-৭৫২ডি)ৰ বদনাৱাৰ-পেটলাৱাড-থাণ্ডলা-তিমাৰৱানি অংশৰ ৪-লেনিং হাইব্ৰিড বাৰ্ষিকী মোডত ৩,৮৩৯.৪২ কোটি টকা ব্যয়ৰে নিৰ্মাণৰ বাবে অনুমোদন জনোৱা হৈছে।

**প্ৰভাৱঃ** অনুমোদিত কৰিডৰে উজ্জয়ীনক দিল্লী-মুম্বাই এক্সপ্ৰেছৱে (ডিএমই)ৰ তিমাৰৱানি আন্তঃপৃষ্ঠৰ সৈতে সংযোগ কৰিব। প্ৰস্তাৱিত চাৰিলেনযুক্ত প্ৰকল্প কৰিডৰৰ প্ৰধান উদ্দেশ্য হৈছে ভ্ৰমণৰ কাৰ্যক্ষমতা বৃদ্ধি কৰা আৰু ইয়াৰ ফলত যাত্ৰাৰ সময় প্ৰায় এঘণ্টা হ্ৰাস পোৱাৰ আশা কৰা হৈছে। প্ৰস্তাৱিত প্ৰকল্পটোৱে দ্ৰুতবেগী সংযোগ প্ৰদান কৰিব। ইয়াক উন্নত সুৰক্ষা আৰু নীৰৱচ্ছিন্ন যাতায়তৰ প্ৰবাহৰ বাবে ডিজাইন কৰা হৈছে। ইয়াৰ জৰিয়তে যানজঁট আৰু পৰিচালনাৰ খৰচো হ্ৰাস পাব। এই প্ৰকল্পই অঞ্চলটোৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে মধ্যপ্ৰদেশৰ ধৰ আৰু ঝাবুৱাৰ সামগ্ৰিক অৰ্থনৈতিক উন্নয়ন আৰু অধিক ত্বৰান্বিত কৰিব।

**সিদ্ধান্তঃ** ‘জেৱাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ’লৈ নতুন পথ নিৰ্মাণৰ বাবে সংশোধিত পুঁজি আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন।

**প্ৰভাৱঃ** ‘দিল্লী-মুম্বাইক এক্সপ্ৰেছৱে’ৰ দিল্লী-ফৰিদাবাদ-বল্লভগড়-সোহনা বাইপাছৰ পৰা ‘জেৱাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ’লৈ ‘হাইব্ৰিড এনুইটি’ ভিত্তিত উত্তৰ প্ৰদেশ আৰু হাৰিয়ানাত নতুন পথ নিৰ্মাণৰ বাবে ৩,৬৩০.৭৭ কোটি টকাৰ পুঁজি আৱণ্টনত অনুমোদন জনোৱা হৈছে। ৩১.৪২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰে দক্ষিণ দিল্লী, ফৰিদাবাদ, আৰু গুৰুগ্ৰামৰ পৰা ‘জেৱাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ’লৈ প্ৰত্যক্ষ, দ্ৰুতবেগী সংযোগ প্ৰদান কৰিব, যাৰ ফলত ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত অৰ্থনৈতিক বিকাশ আৰু পৰিচালন দক্ষতা বৃদ্ধি পাব। এই কৰিডৰে ‘ইষ্টাৰ্ণ পেৰিফেৰেল এক্সপ্ৰেছৱে’, ‘যমুনা এক্সপ্ৰেছৱে’, আৰু ‘ডেডিকেটেড ফ্ৰেইট কৰিডৰ’ক সংযুক্ত কৰিব। এই কৰিডৰটো আন্তঃগাঁথনি উন্নয়ন, নগৰীয়া আন্তঃগাঁথনি ৰূপান্তৰ, আঞ্চলিক সংযোগ, আৰু ৰাষ্ট্ৰীয় পৰিবহণ দক্ষতাৰ বাবে এক উল্লেখযোগ্য কৰিডৰ হ’ব।



*কেবিনেটৰ সিদ্ধান্তৰ প্ৰেছ ব্ৰিফিং চাবলৈ কিউআৰ ক’ড স্কেন কৰক।*

**সিদ্ধান্তঃ** পশ্চিম বংগ আৰু ঝাৰখণ্ডৰ পাঁচখন জিলাক সামৰি দুটা ‘মাল্টি ট্ৰেকিং’ প্ৰকল্পত অনুমোদন।

**প্ৰভাৱঃ** এই প্ৰকল্পসমূহৰ মুঠ আনুমানিক ব্যয় ৪,৪৭৪ কোটি টকা। ২০৩০-৩১ চনৰ ভিতৰত এইকেইটা প্ৰকল্প সম্পূৰ্ণ হৈ উঠিব। এই প্ৰকল্পসমূহৰ ভিতৰত আছে সৈন্থীয়া-পকুৰ চতুৰ্থ পথ আৰু সত্ৰগাছি-খড়গপুৰ চতুৰ্থ পথ। ইয়াৰ দ্বাৰা ভাৰতীয় ৰে’লৱেৰ বৰ্তমানৰ নেটৱৰ্কত প্ৰায় ১৯২ কিলোমিটাৰ সংযোজিত হ’ব। বৰ্ধিত ৰে’ল পথৰ সামৰ্থ্যই যাতায়তৰ প্ৰবাহ যথেষ্ট উন্নত কৰিব, ভাৰতীয় ৰে’লৱেৰ পৰিচালন দক্ষতা আৰু সেৱাৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিব। এই মাল্টি ট্ৰেকিং প্ৰকল্পই পৰিচালনা সুশৃংখলিত কৰাত সহায় কৰিব আৰু যানজঁট হ্ৰাস কৰিব।

**সিদ্ধান্তঃ** তামিলনাডুৰ মাদুৰাই বিমানবন্দৰক আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ উন্নীত কৰাৰ প্ৰস্তাৱত অনুমোদন।

**প্ৰভাৱঃ** মাদুৰাই বিমানবন্দৰক আন্তঃৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদান কৰিলে আঞ্চলিক সংযোগ বৃদ্ধি পাব, বাণিজ্য বৃদ্ধি পাব, আৰু অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত হ’ব। আন্তঃৰাষ্ট্ৰীয় তীৰ্থযাত্ৰী আৰু ব্যৱসায় চম্ভালিব পৰা এই বিমানবন্দৰৰ সামৰ্থ্য বৃদ্ধি চহৰখনৰ ঐতিহাসিক তাৎপৰ্যৰ দিশৰ পৰাও প্ৰয়োজনীয়।

**সিদ্ধান্তঃ** ভাৰতৰ সৈতে স্থল সীমা সংলগ্ন দেশসমূহৰ পৰা বিনিয়োগৰ বাবে নিৰ্দেশনা সলনি কৰাৰ প্ৰস্তাৱত অনুমোদন।

**প্ৰভাৱঃ** ‘পিএনত’-ৰ অধীনত অনুমোদনৰ বাবে প্ৰয়োজনীয় মূল খণ্ডসমূহত বিনিয়োগৰ বাবে সময়মতে অনুমোদন নিশ্চিত কৰিবলৈ কেবিনেটে প্ৰত্যক্ষ বিদেশী বিনিয়োগ নীতিৰ পৰিৱৰ্তনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই সংশোধনীসমূহৰ লক্ষ্য হৈছে ষ্টাৰ্টআপ আৰু ‘ডীপ টেক’-ৰ বাবে গোলকীয় পুঁজিৰ পৰা অধিক প্ৰত্যক্ষ বিদেশী বিনিয়োগ আকৰ্ষণ কৰা আৰু ব্যৱসায় কৰাত স্বাচ্ছন্দ্য বৃদ্ধি কৰা। ৬০ দিনৰ ভিতৰত গ্ৰহণ কৰা ক্ষিপ্ৰ সিদ্ধান্তই ভাৰতত উৎপাদন সম্পৰ্কীয় কাৰ্যকলাপ সম্প্ৰসাৰণৰ বাবে কোম্পানীসমূহক সহযোগিতা কৰাত সহায় কৰিব। স্থল সীমা সংলগ্ন দেশসমূহৰ বিনিয়োগৰ বাবে কেবিনেটে অনুমোদন জনোৱা প্ৰত্যক্ষ বিদেশী বিনিয়োগ নীতিৰ পৰিৱৰ্তনে ইলেক্ট্ৰনিক উপাদান, মূলধনী সামগ্ৰী, আৰু সৌৰকোষ নিৰ্মাণত সহায় কৰিব।





৩৩,৫০০ কোটি টকাৰ আন্তঃগাঁথনি উন্নয়ন

# নতুন যুগৰ সাক্ষী হৈছে দিল্লী

ভাৰতৰ ঐতিহাসিক যাত্ৰা মহানগৰী হৈছে দিল্লী। এই নগৰখন এতিয়া এক নতুন যুগৰ সাক্ষী হৈছে। এয়া হৈছে নতুন ভাৰতৰ আত্মবিশ্বাসৰ যুগ। ভাৰতৰ এই আত্মবিশ্বাসে এতিয়া দেশখনক উন্নত ভৱিষ্যতৰ দিশে লৈ যাব। এই দৃষ্টিভংগীক আগুৱাই নিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৮ মাৰ্চত দিল্লীত এলানি উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধনী তথা আধাৰশিলা স্থাপন কৰি কয় যে আমি সকলোৱে একেলগে কাম কৰি প্ৰতিটো সংকল্পই পূৰণ কৰিব লাগিব...

এখন সুন্দৰকৈ সজ্জিত দিল্লী... দেশৰ ৰাজধানী ‘বিকশিত ভাৰতৰ উত্থানৰ ইঞ্জিনলৈ ৰূপান্তৰিত হৈছে। দেশৰ প্ৰগতিৰ প্ৰতিফলন হৈ উঠিছে দিল্লী। বিগত ১১টা বছৰত কেন্দ্ৰীয় চৰকাৰে এক স্পষ্ট দৃষ্টিভংগীৰে ৰাষ্ট্ৰীয় ৰাজধানীক এক নতুন পৰিচয় প্ৰদান কৰিছে। ভাৰতৰ নিজা স্বাধীন ভাৰতৰ সংসদ ভৱনেই হওক বা ‘ভাৰত মণ্ডপম’, ‘যশোভূমি’, ‘কৰ্তব্য পথ’, ‘কৰ্তব্য ভৱন’, ‘ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক’, মেট্ৰ’ আদি পদক্ষেপেই হওক, অগণন প্ৰচেষ্টাই দেশৰ ৰাজধানীক এক নতুন ৰূপ আৰু চৰিত্ৰ প্ৰদান কৰিছে। আজি দিল্লী কেৱল ভাৰতৰ ৰাজধানীয়েই নহয়। ই হৈছে ভাৰতৰ পৰিচয়, ভাৰতৰ শক্তিৰ প্ৰতীকো। গতিকে দিল্লীৰ উন্নয়ন কেৱল এখন চহৰৰ উন্নয়নেই নহয়; ই সমগ্ৰ দেশৰ ভাবমূৰ্তিৰ সৈতেও জড়িত। দিল্লী যিমানেই আধুনিক হ’ব, দিল্লী যিমানেই সুবিধাজনক হৈ উঠিব, দিল্লীৰ সংযোগ সিমানেই ভাল হ’ব, আৰু ভাৰতৰ আত্মবিশ্বাস সিমানেই শক্তিশালীভাৱে বিশ্বৰ সন্মুখত দেখা যাব। উদ্বোধন আৰু আধাৰশিলা স্থাপন প্ৰায় ৩৩,৫০০ কোটি টকাৰ কেইবাটাও উন্নয়ন প্ৰকল্পৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীত

## ঐতিহ্য ক্ষেত্ৰ...

- দেশৰ বাবে প্ৰাণ আহুতি দিয়া সাহসী জোৱানসকলক সন্মান জনাই ‘ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক’ নিৰ্মাণ কৰা হৈছে।
- নতুন সংসদ ভৱন, ‘কৰ্তব্য পথ’, ‘কৰ্তব্য ভৱন’, ‘সেৱা তীৰ্থ’ আদিয়ে একবিংশ শতিকাৰ ভাৰতৰ নতুন চিন্তাধাৰাকে প্ৰতিফলিত কৰে।
- ‘ভাৰত মণ্ডপম’ আৰু ‘যশোভূমি’-ৰ দৰে স্থানসমূহ ভাৰতৰ সংস্কৃতি, ভাৰতীয় বাণিজ্য, আৰু ভাৰতৰ সম্ভাৱনাৰ সৈতে বিশ্বক পৰিচয় কৰাই দিয়াৰ প্ৰধান মঞ্চত পৰিণত হৈছে।
- প্ৰধানমন্ত্ৰী সংগ্ৰহালয় আৰু ‘যুগে-যুগীন ভাৰত সংগ্ৰহালয়’-ৰ দৰে নতুন সংগ্ৰহালয়েও দিল্লীৰ পৰিচয় শক্তিসমৃদ্ধ কৰি তুলিছে।





## মেট্ৰ' প্ৰকল্পৰ উদ্বোধনী আৰু আধাৰশিলা স্থাপন

- প্ৰধানমন্ত্ৰী মোদীয়ে সৰোজিনী নগৰৰ জিপিআৰএ টাইপ-৫ কোৱাৰ্টাৰ পৰিদৰ্শন কৰি ঘৰ লাভ কৰা মহিলাসকলক ঘৰৰ চাবি প্ৰদান কৰে।
- প্ৰায় ১৮,৩০০ কোটি টকাৰ দিল্লী মেট্ৰ' প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰে।
- তেওঁ দুটা নতুন দিল্লী মেট্ৰ' কৰিডৰৰ উদ্বোধন কৰে। ইয়াৰ ভিতৰত আছে প্ৰায় ১২.৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ মজলিছ পাৰ্ক-মৌজপুৰ বাবৰপুৰ (পিংক লাইন) কৰিড'ৰ আৰু প্ৰায় ৯.৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দীপালী চক-মজলিছ পাৰ্ক (মেজেণ্টা লাইন) কৰিড'ৰ।
- নতুন সংযোগৰ জৰিয়তে দিল্লীৰ বুৰাৰী, জগতপুৰ-ৱাজিৰাবাদ, খাজুৰি খাছ, ভজনপুৰা, যমুনা বিহাৰ, মধুবন চক, হাইদৰপুৰ বদলী মোৰ, ভালছৱা, আৰু মজলিছ পাৰ্ককে ধৰি কেইবাটাও অঞ্চল উপকৃত হ'ব।
- দিল্লী মেট্ৰ'ৰ ৫এ পৰ্যায়ৰ অধীনত মুঠ প্ৰায় ১৬.১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ তিনিটা নতুন কৰিডৰৰ আধাৰশিলা স্থাপন কৰা হয়।
- এই তিনিটা নতুন কৰিডৰ হ'ল আৰ কে আশ্ৰম মাৰ্গৰ পৰা ইন্দ্ৰপ্ৰস্থলৈ, এৰ'চিটি-ৰ পৰা ইন্দিৰা গান্ধী বিমানবন্দৰ টাৰ্মিনেল-১লৈ, আৰু টোঘলাকাবাদৰ পৰা কালিন্দী কুঞ্জলৈ।
- এই কৰিডৰসমূহে ৰাষ্ট্ৰীয় ৰাজধানীৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থানলৈ প্ৰত্যক্ষ সংযোগ প্ৰদান কৰিব। দক্ষিণ দিল্লীৰ নয়ডা আৰু বিমানবন্দৰৰ মাজত যাত্ৰা কৰা লোকসকলৰ সংযোগ উন্নত কৰিব।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

## জিপিআৰএৰ অধীনত প্ৰকল্পসমূহৰ উদ্বোধনী আৰু আধাৰশিলা স্থাপন

'সাধাৰণ থূল আৱাসিক বাসস্থান' (জিপিআৰএ) পুনৰ উন্নয়ন আঁচনিৰ অধীনত **১৫,২০০** কোটি টকাৰ প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন।

- এই প্ৰকল্পসমূহ সৰোজিনী নগৰ, নেতাজী নগৰ, কস্তুৰবা নগৰ, আৰু শ্ৰীনিবাসপুৰীৰ দৰে গুৰুত্বপূৰ্ণ স্থানত অৱস্থিত।
- এয়া হৈছে জিপিআৰএ আৱাসিক কলনী আধুনিকীকৰণ আৰু চৰকাৰী কৰ্মচাৰী আৰু প্ৰশাসনিক কাৰ্যালয়ৰ বাবে বিশ্বমানৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে চৰকাৰৰ গ্ৰহণ কৰা অভিলাষী কাৰ্যসূচীৰ অংশ।
- এই প্ৰকল্পসমূহ এক উদ্ভাৱনীমূলক আত্মনিৰ্ভৰশীল বিত্তীয় আৰ্হিৰ জৰিয়তে পুনৰ বিকশিত কৰা হৈছে যিয়ে চৰকাৰী কোষাগাৰত বোজা নপৰাকৈ পুনৰ উন্নয়ন কৰাটো নিশ্চিত কৰিছে।
- পুনৰ উন্নয়ন আঁচনিৰ অধীনত চৰকাৰী কৰ্মচাৰীসকলৰ বাবে ৯,৩৫০ৰো অধিক আধুনিক ফ্লেটৰ ব্যৱস্থা কৰা হ'ব।
- প্ৰায় ৪৮ লাখ বৰ্গফুট কাৰ্যালয়ৰ স্থানো মোকলোৱা হ'ব, যাৰ ফলত প্ৰশাসনিক দক্ষতা যথেষ্ট বৃদ্ধি পাব।

দ্ৰুতগতিত সম্প্ৰসাৰিত হোৱা সুবিধা আৰু আন্তঃগাঁথনিৰ কথা উল্লেখ কৰে। কিছুদিন পূৰ্বে দিল্লীক 'নমো ভাৰত এক্সপ্ৰেছ' নামৰ তীব্ৰবেগী ৰে'লযোগে মীৰাটৰ সৈতে সংযুক্ত কৰা হৈছিল। মেট্ৰ'ৰ চতুৰ্থ পৰ্যায় আৰম্ভ হোৱাৰ লগে লগে দিল্লী মেট্ৰ' নেটৱৰ্ক ৩৭৫ কিলোমিটাৰতকৈয়ো অধিক সম্প্ৰসাৰিত হৈছে।

মেট্ৰ'ৰ নতুন অংশই ৰাজধানীখনক যথেষ্ট সুবিধা প্ৰদান কৰিব, ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ বাসিন্দাসকলৰ বাবে ইয়াৰ সুবিধাসমূহ সম্প্ৰসাৰিত কৰিব। কেন্দ্ৰীয় চৰকাৰে দিল্লীবাসীক স্বচ্ছ, আৰামদায়ক, আধুনিক বাছ সেৱা প্ৰদানৰ বাবেও চেষ্টা চলাইছে। কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা চাৰি হাজাৰৰো অধিক ইলেক্ট্ৰনিক বাছে আজি দিল্লীবাসীক সেৱা আগবঢ়াইছে। আৰু মাত্ৰ যোৱা এটা বছৰতে দিল্লীৰ পথত প্ৰায় ১৮০০খন নতুন বাছৰ চলাচল আৰম্ভ কৰা হৈছে।

কোটা বিমানবন্দৰৰ আধাৰশিলা স্থাপন কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে

# হাড়োতিৰ আকাংক্ষালৈ উদগনি

স্পষ্ট উদ্দেশ্য আৰু শক্তিশালী সংকল্পই উন্নয়নৰ গতি সূচকীয়ভাৱে ত্বৰান্বিত কৰে। আজি ৰাজস্থানত এই কথা স্পষ্ট হৈ উঠিছে। উন্নত ভাৰতৰ সংকল্পই ইয়াত নতুন গতি লাভ কৰিছে। এই দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭ মাৰ্চত কোটা বিমানবন্দৰৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় ১৫০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই আধুনিক বিমানবন্দৰে ভৱিষ্যতে সমগ্ৰ অঞ্চলটোৰ উন্নয়ন ত্বৰান্বিত কৰিব।

ৰাজস্থানৰ কোটা চহৰখন কেৱল শিক্ষাৰ বাবেই নহয়, শক্তিৰ এক প্ৰধান কেন্দ্ৰ হিচাপেও বিখ্যাত। ইয়াত পাৰমাণৱিক, কয়লা, গেছ, পানীকে ধৰি বিভিন্ন উৎসৰ পৰা বিদ্যুৎ উৎপাদন কৰা হয়। কোটাৰ কাচোৰী, ড'ৰিয়া শাৰী, শিল, বালিয়া শিল আদিও বিশ্বজুৰি বিখ্যাত। সমীপৱৰ্তী বুণ্ডীৰ বাছমতী চাউল সুগন্ধিৰ বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰত বাৰুকৈয়ে খ্যাতি আছে। কঠোৰ পৰিশ্ৰম, উৎপাদন আৰু সম্ভাৱনাৰ বাবে পৰিচিত এই সমগ্ৰ অঞ্চলটোৱে এতিয়া বিমানবন্দৰ নিৰ্মাণৰ জৰিয়তে নতুন পৰিচয় লাভ কৰিবলৈ সাজু হৈছে, যিয়ে কোটা আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহৰ উন্নয়ন ত্বৰান্বিত কৰিব।

ভৱিষ্যতে কোটা আৰু ইয়াৰ কাষৰীয়া ঠাইবোৰৰ জনসাধাৰণে আৰু জয়পুৰ বা যোধপুৰলৈ গৈ বিমান যাত্ৰা কৰাৰ প্ৰয়োজন নহ'ব, কিয়নো কোটাত অচিৰেই এটা বিমানবন্দৰ কাৰ্যক্ষম হৈ উঠিব। কোটা বিমানবন্দৰৰ আধাৰশিলা স্থাপন অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩ চনৰ অনুষ্ঠানৰ কথা উল্লেখ কৰি কয় যে, "মই কৈছিলোঁ যে কোটাৰ বিমানবন্দৰ কেৱল সপোনেই হৈ নাথাকিব, বৰঞ্চ বাস্তৱতো পৰিণত হ'ব। আজি মই সুখী যে সেই মুহূৰ্তটো সমাগত হৈছে যেতিয়া কোটা বিমানবন্দৰৰ নিৰ্মাণৰ কাম আৰম্ভ হ'বলৈ ওলাইছে।"

কোটাক চাৰিওফালৰ পৰা শক্তিশালীভাৱে সংযুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। এফালে অমৃত ভাৰত ষ্টেশ্যন আঁচনিৰ অধীনত কোটাৰ দুয়োটা প্ৰধান ৰে'ল ষ্টেশ্যন আধুনিক সা-সুবিধাৰে সজ্জিত হোৱাৰ বিপৰীতে কোটা আৰু বুণ্ডীৰ মাজেৰে পাৰ হৈ যোৱা দিল্লী-মুম্বাই এক্সপ্ৰেছো নতুনকৈ মুকলি কৰা হৈছে সমগ্ৰ

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*








## হাডোতি: আস্থাৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ

উদ্যোগ আৰু আস্থাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হৈছে হাডোতি। যুগ যুগ ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ভক্তসকলে ইয়ালৈ আহি শ্ৰী মথুৰাধীশ জীৰ পবিত্ৰ পীঠ, কেশৰৰাই-পতন, খাদী গণেশ জী মহাৰাজ, আৰু গোদাৱৰী বালাজী ধামৰ দৰে তীৰ্থস্থান পৰিদৰ্শন কৰি আহিছে। গৰাদিয়া মহাদেৱৰ পৰা চম্বলৰ দৃশ্যই সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। মুকুন্দ্ৰ পাহাৰ আৰু ৰামগড় বিষধাৰীৰ দৰে বন্যপ্ৰাণী অভয়াৰণ্যই এই সমগ্ৰ অঞ্চলটোক বন্যপ্ৰাণী পৰ্যটনৰ এক প্ৰধান কেন্দ্ৰ কৰি তুলিছে। বিমান সংযোগ বৃদ্ধিৰ লগে লগে দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটকে ইয়াত ভিৰ কৰিবহি। ইয়াৰ দ্বাৰা যুৱক-যুৱতী, ব্যৱসায়ী আৰু স্থানীয় অৰ্থনীতি প্ৰত্যক্ষ লাভাৱান্বিত হ'ব.

## কোটাই উন্নয়নৰ নতুন অধ্যায় লিখিব: লোকসভাৰ অধ্যক্ষ

কোটা বিমানবন্দৰৰ আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থকা লোকসভাৰ অধ্যক্ষ তথা কোটাৰ সাংসদ ওম বিৰলাই কয় যে কোটাবাসীৰ বাবে গ্ৰীণফিল্ড বিমানবন্দৰৰ বহু প্ৰত্যাশিত সপোনটো বাস্তৱায়িত হ'বলৈ ওলাইছে। কোটা বিমানবন্দৰ নিৰ্মাণৰ ক্ষেত্ৰত বহু বাধাৰ সন্মুখীন হৈছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত হাডোতিয়ে লাভ কৰিছিল এক উল্লেখযোগ্য উপহাৰ। তেওঁ কয় যে কোটাত উদ্যোগ স্থাপন কৰিব বিচৰা উদ্যোগীসকলৰ সৈতে সাক্ষাৎ কৰিছিল যদিও বিমানবন্দৰৰ অভাৱে তেওঁলোকক বাধা দিছিল। ২০২৭ চনৰ ভিতৰত বিমানবন্দৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগে লগে কোটাই লিখিব উন্নয়নৰ এক নতুন কাহিনী। উদ্যোগসমূহৰ আগমনৰ লগে লগে কোটাত তথ্য-প্ৰযুক্তি খণ্ডটোও প্ৰস্ফুটিত হৈ উঠিব। পৰ্যটন খণ্ডত নতুন মাত্ৰাৰ উন্মেষ ঘটিব।



“

যেতিয়া সংযোগ বৃদ্ধি পায়, তেতিয়া উন্নয়নৰ সম্ভাৱনায়ো গতি লাভ কৰে। বিগত ৰুটা বছৰত সমগ্ৰ দেশতে নিৰ্মাণ কৰা নতুন বিমানবন্দৰসমূহে উন্নয়ন ত্বৰান্বিত কৰিছে। এই নতুন বিমানবন্দৰসমূহে বিমান যাত্ৰাৰ সুবিধা প্ৰদান কৰিছে, পৰ্যটন বৃদ্ধি কৰিছে, যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিছে, আৰু আঞ্চলিক উন্নয়ন ত্বৰান্বিত কৰিছে।

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী*

অঞ্চলটোৰ বাবে এয়া উন্নয়নৰ দুৱাৰ। আন্তঃগাঁথনি শক্তিশালী হোৱাৰ বাবে দিল্লী, বদোদৰা, মুম্বাইৰ দৰে ডাঙৰ চহৰলৈ কৰা যাত্ৰা এতিয়া মাত্ৰ কেইটামান ঘণ্টাৰহে বাট। উন্নত সংযোগে এই অঞ্চলটোক কৃষিভিত্তিক উদ্যোগৰ বাবে এক প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তুলিব।



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

# আন্তঃগাঁথনিৰ শক্তিৰে সমৃদ্ধ ভাৰত

দেশৰ অৰ্থনীতিত দক্ষিণ ভাৰতে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। এই কাৰণেই কেন্দ্ৰীয় চৰকাৰে দক্ষিণৰ ৰাজ্যসমূহৰ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিনিয়োগ ধাৰাবাহিকভাৱে বৃদ্ধি কৰি আছে। এই প্ৰেক্ষাপটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১১ মাৰ্চত সমগ্ৰ কেৰালাম আৰু তামিলনাডুত ১৬,৪৫০ কোটি টকা ব্যয়সাপেক্ষ এলানি উন্নয়নমূলক প্ৰকল্প দেশৰ নামত উছৰ্গা কৰাৰ লগতে আন বহুকেইটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

কেন্দ্ৰীয় বাজেটত চৰকাৰে আন্তঃগাঁথনি ব্যয়ৰ বাবে ১২ লাখ কোটি টকাৰ পুঁজি আবণ্টন দিছে, যিটো পদক্ষেপে ৰাষ্ট্ৰীয় বিনিয়োগ বৃদ্ধি আৰু দেশৰ আন্তঃগাঁথনিৰ কাঠামো উন্নয়নৰ বাবে ইয়াৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাত গুৰুত্ব আৰোপ কৰিছে। এই উদ্যোগ অব্যাহত ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১১ মাৰ্চত কেৰালামৰ এৰ্নাকুলামত ১০,৮০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্প আৰু তামিলনাডুৰ তিৰুচিৰাপল্লীত ৫,৬৫০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰে। এই উন্নয়নী প্ৰকল্পসমূহে ঘাইপথ, ৰে'লৰে, গ্ৰাম্য পথ, স্বচ্ছ শক্তি, গেছ বিতৰণ নেটৱৰ্ক, আৰু তেল শোধনাগাৰৰ সৈতে জড়িত পদক্ষেপসমূহক সামৰি লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তামিলনাডুত 'ভাৰত পেট্ৰলিয়ামৰ চিটি গেছ বিতৰণ নেটৱৰ্ক'ৰ আধাৰশিলা স্থাপন কৰে। এই পদক্ষেপে সমগ্ৰ নীলগিৰি আৰু ইৰ'ডৰ প্ৰায় ৯ লাখ পৰিয়াল আৰু অসংখ্য বাণিজ্যিক প্ৰতিষ্ঠানৰ বাবে পাইপড নেচাৰেল গেছ (পিএনজি) উপলব্ধ কৰিব। গংগাইকোণ্ডা চোলাপুৰমৰ ওচৰত ৮১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ 'গ্ৰীণফিল্ড বাইপাছ'ৰ

> “
> সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত কেৰালামৰ অগ্ৰগতি নিশ্চিত কৰাৰ লক্ষ্যৰে পশ্চিম কল্লাডাত ৫০ মেগাৱাটৰ ভাসমান সৌৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হৈছে। কেৰালামত অতি বৃহৎ সংখ্যক জলভাগ থকাৰ বাবে ৰাজ্যখনৰ ভাসমান সৌৰশক্তিৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা আছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## কেৰালামত প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন

- বিপিচিএল-ৰ কোচি শোধনাগাৰত পলিপ্ৰ'পাইলিন গোটৰ বাবে আধাৰশিলা স্থাপন কৰা হয়। এই পলিপ্ৰ'পাইলিন গোটৰ উৎপাদনী সামৰ্থ্য হৈছে বছৰি ৪০০ কিলোটন।
- ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন, য'ত ৰাষ্ট্ৰীয় ঘাইপথৰ থালাপাড়ীচেংগালা অংশৰ ছয় লেনিং আৰু ভেংগালমৰ পৰা ৰামনাট্টুকাৰালৈকে কোজিকোড় বাইপাছৰ ছয় লেনিং। এই দুটা প্ৰকল্পৰ বাবে ৪,৭৯০ কোটি টকা ব্যয় কৰা হ'ব।
- পিএমজিএছওৱাই-ৰ অধীনত নিৰ্মিত ২৩টা গ্ৰাম্য পথৰ উদ্বোধন।
- 'অমৃত ভাৰত ষ্টেশ্যন আঁচনি'ৰ অধীনত পুনৰ উন্নয়ন কৰা শোৰানুৰ জংশ্যন, কুট্টিপ্পুৰম, আৰু চাংগনাছেৰী ৰে'লৰে ষ্টেশ্যনৰ উদ্বোধন।
- শোৰানুৰ-নীলাম্বুৰ পথ ৰে'লপথৰ বাবে বৈদ্যুতিকৰণ প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা।
- কেৰালামৰ কোল্লাম জিলাৰ পশ্চিম কল্লাডাত ৫০ মেগাৱাটৰ ভাসমান সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*






*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

## তামিলনাডুত প্ৰকল্পৰ উদ্বোধনী আৰু আধাৰশিলা স্থাপন

- নীলগিৰি আৰু ইৰ'ডত বিপিচিএল-ৰ চিটি গেছ বিতৰণ (চিজিডি) নেটৱৰ্কৰ বাবে আধাৰশিলা স্থাপন, যাৰ মূল্য ৩,৬৮০ কোটি টকাতকৈয়ো অধিক। এই প্ৰকল্পই ৮.৮ লাখৰো অধিক পৰিয়াললৈ পিএনজি সংযোগ প্ৰদান কৰিব আৰু ২০১টাতকৈয়ো অধিক চিএনজি ষ্টেশ্যন স্থাপনৰ পথ সূচনা কৰিব।
- বছৰি ৬৭২ হাজাৰ মেট্ৰিক টন উৎপাদনৰ সামৰ্থ্যসম্পন্ন ভাৰতীয় তেল নিগম-ৰ চেন্নাইত থকা 'লুব ব্লেণ্ডিং প্লাণ্ট' ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। এই সুবিধাত প্ৰায় ১,৪৯০ কোটি টকা বিনিয়োগ কৰা হৈছে।
- 'প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা' (পিএমজিএছৱাই)ৰ অধীনত তামিলনাডুত নিৰ্মিত মুঠ ৩৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৮৯টা গ্ৰাম্য পথৰ উদ্বোধন।
- 'প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা' (পিএমজিএছৱাই)ৰ অধীনত তামিলনাডুত নিৰ্মিত মুঠ ৩৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৮৯টা গ্ৰাম্য পথৰ উদ্বোধন।

আধাৰশিলা স্থাপন।

জিলাসমূহৰ ভিতৰত। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই প্ৰকল্পসমূহে শক্তিৰ উপলব্ধতা আৰু সংযোগ বৃদ্ধি কৰাৰ লগতে একেসময়তে তামিলনাডুৰ যুৱক-যুৱতীসকলৰ বাবে হাজাৰ হাজাৰ চাকৰিৰ সুযোগ সৃষ্টি কৰিব। তেওঁ আৰু উল্লেখ কৰে যে, মাত্ৰ আঠ বছৰৰ ভিতৰত এই প্ৰকল্পসমূহৰ ইতিবাচক পৰিৱেশ সম্পৰ্কীয় প্ৰভাৱ ৪ কোটি গছ ৰোপণৰ সমতুল্য হ'ব।

নাৰিকলৰ বাগিচা আৰু ধাননি পথাৰসমূহে কেৰেলামৰ সমৃদ্ধিক আৰু অধিক গতি প্ৰদান কৰিছে। উন্নয়নৰ এই গতিধাৰা অব্যাহত ৰাখি, আৰু কেৰালামত ১০,৮০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপনৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজহুৱা সভাত ভাষণ দিয়ে। তেওঁ কয় যে ৰাজ্যখনৰ নামটো -"কেৰালা"-ৰ পৰিবৰ্তে- আনুষ্ঠানিকভাৱে "কেৰালাম" বুলি স্বীকৃতি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাটো হৈছে স্থানীয় জনসাধাৰণৰ আৱেগৰ প্ৰতি সন্মানৰ চিন। ইয়াৰ উপৰিও ই মালয়ালম ভাষা আৰু সংস্কৃতিৰ চহকী ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাৰ প্ৰতীক হিচাপেও কাম কৰে। আজি ৰাষ্ট্ৰ আৰু বিশ্বই এই ৰাজ্যখনক "কেৰালাম" নামেৰে স্বীকৃতি দিছে।

ভাৰতৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত কৰা বিনিয়োগক আজি বিশ্বই প্ৰশংসা কৰিছে। কেৰালাম আৰু তামিলনাডুত আন্তঃগাঁথনি বিনিয়োগ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ কয় যে আন্তঃগাঁথনিত বিনিয়োগ কৰা প্ৰতিটো টকাই নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰে। এই সকলোবোৰ প্ৰকল্পই সামূহিকভাৱে হাজাৰ হাজাৰ যুৱক-যুৱতীক নতুন চাকৰিৰ সুবিধা প্ৰদান কৰিবলৈ সাজু হৈছে।



# ‘বাজেট’

# যি বাস্তৱত পৰিণত কৰিছে ৰাইজৰ আশা-আকাংক্ষাক

বাজেট ৱেবিনাৰসমূহে দেশৰ নাগৰিকসকলৰ মাজত ইয়াৰ সম্ভাব্য লাভালাভ নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যাতে বাজেটত আৱণ্টিত প্ৰতিটো পইচা যথাসম্ভৱ সোনকালে নিৰ্দিষ্ট উদ্দেশ্যত ব্যৱহাৰ হয়। এই লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৬ মাৰ্চত ‘কৃষি আৰু গ্ৰাম্য পৰিৱৰ্তন’ বিষয়ক তৃতীয়খন বাজেট ৱেবিনাৰৰ পাছত ৯ মাৰ্চত ‘সবকা সাথ, সবকা বিকাশ- জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ’ বিষয়ক চতুৰ্থখন ৱেবিনাৰত ভাষণ প্ৰদান কৰে...

ভাৰতৰ দীৰ্ঘম্যাদী উন্নয়নৰ যাত্ৰাত কৃষি এক কৌশলগত স্তম্ভ হিচাপে পৰিগণিত হৈছে আৰু এই দৰ্শনক লৈ কেন্দ্ৰীয় চৰকাৰে কৃষি খণ্ডক ধাৰাবাহিকভাৱে শক্তিশালী কৰি আহিছে। কৃষি আৰু গ্ৰাম্য পৰিৱৰ্তন সম্পৰ্কীয় বাজেট-উত্তৰ ৱেবিনাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে দেশত খাদ্য শস্য, দাইলৰ পৰা তৈলবীজলৈকে বিভিন্ন ধৰণৰ শস্যৰ উৎপাদনৰ ক্ষেত্ৰত অভিলেখ সৃষ্টি হৈছে। কিন্তু এতিয়া একবিংশ শতিকাৰ দ্বিতীয় কোৱাৰ্টাৰ আৰম্ভ হোৱাৰ লগে লগে কৃষি খণ্ডক নতুন শক্তি প্ৰদান কৰাটো অতি জৰুৰী হৈ পৰিছে। চলিত বৰ্ষৰ বাজেটত এই লক্ষ্যত উপনীত হ’বলৈ বিভিন্ন নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে।

মৌলিক ক্ষেত্ৰ-যেনে শিক্ষা, দক্ষতা বিকাশ, স্বাস্থ্যসেৱা, পৰ্যটন, ক্ৰীড়া আৰু সংস্কৃতিৰ দৰে খণ্ডসমূহে জনসাধাৰণৰ আশা-আকাংক্ষা

## ‘কৃষি আৰু গ্ৰাম্য পৰিৱৰ্তন’ শীৰ্ষক ৱেবিনাৰত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণৰ মূল দিশসমূহ

- চলিত বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটে কৃষি আৰু গ্ৰাম্য পৰিৱৰ্তনৰ ক্ষেত্ৰত এক নতুন দিশ প্ৰদান কৰিছে।
- চৰকাৰৰ মূল পদক্ষেপসমূহে কৃষকসকলৰ বাবে ক্ষতিশংকা হ্ৰাস কৰি তেওঁলোকক মৌলিক অৰ্থনৈতিক সুৰক্ষা প্ৰদান কৰিছে।
- উচ্চ মূল্যৰ কৃষিক প্ৰসাৰিত কৰিলে এই খণ্ডটো বিশ্ব প্ৰতিযোগিতামূলক ক্ষেত্ৰলৈ ৰূপান্তৰিত হ’ব।
- ৰপ্তানিকেন্দ্ৰিক উৎপাদন বৃদ্ধিয়ে সংসাধন আৰু মূল্য সংযোজনৰ জৰিয়তে গ্ৰামাঞ্চলত কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব।
- গ্ৰাম্য সমৃদ্ধিৰ বাবে উচ্চ মূল্যৰ, উচ্চ প্ৰভাৱৰ খণ্ড আৰু ৰপ্তানি বৃদ্ধিৰ বাবে মীনপালন এক মূল স্তম্ভ হিচাপে আত্মপ্ৰকাশ কৰাৰ থল আছে।
- চৰকাৰে ‘এগ্ৰি ষ্টেক’ৰ জৰিয়তে কৃষিৰ বাবে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ বিকাশ সাধন কৰিছে।.
- প্ৰযুক্তি তেতিয়া ফলপ্ৰসূ হয়, যেতিয়া ব্যৱস্থাসমূহে ইয়াক গ্ৰহণ কৰে, প্ৰতিষ্ঠানসমূহে ইয়াক একত্ৰিত কৰে আৰু উদ্যোগীসকলে ইয়াক উদ্ভাৱন কৰে।
- সমগ্ৰ দেশতে হাজাৰ-হাজাৰ গুদাম নিৰ্মাণৰ লগতে গুদামৰ আন্তঃগাঁথনিৰ বাবে এক বৃহৎ অভিযান চলি আছে।

## ‘সবকা সাথ, সবকা বিকাশঃ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ

## ৱেবিনাৰত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণৰ কেইটামান মুল দিশ

+ আজি ভাৰতে প্ৰতিৰোধমূলক আৰু সামগ্ৰিক স্বাস্থ্য সেৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা এক দৃষ্টিভংগীৰে কাম কৰি আছে।
+ বিগত কেইটামান বছৰত দেশৰ স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে প্ৰতিখন গাঁৱলৈ স্বাস্থ্য সেৱাৰ সুবিধা আগবঢ়োৱা হৈছে।
+ আয়ুষ্মান ভাৰত আঁচনি আৰু আৰোগ্য মন্দিৰ (স্বাস্থ্য কেন্দ্ৰ)ৰ দৰে পদক্ষেপৰ জৰিয়তে শতাধিক জিলাত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছে।
+ আমাৰ যোগ আৰু আয়ুৰ্বেদ পৰম্পৰাই সমগ্ৰ বিশ্বতে জনপ্ৰিয়তা অৰ্জন কৰিছে।
+ আমাৰ শিক্ষা ব্যৱস্থাক বাস্তৱ অৰ্থনীতিৰ সৈতে সংযোগ কৰাৰ প্ৰক্ৰিয়াটো আৰু অধিক ত্বৰান্বিত কৰিব লাগিব।
+ আমি এআই আৰু অ'টোমেচন, ডিজিটেল অৰ্থনীতি আৰু ডিজাইন-চালিত নিৰ্মাণৰ দৰে বিষয়ত আমাৰ দৃষ্টি নিবদ্ধ কৰিব লাগিব।
+ ভৱিষ্যতৰ প্ৰযুক্তিৰ বাবে প্ৰস্তুতি চলাই থাকোঁতে কোনো কন্যা শিশুৱে যাতে সুযোগৰ অভাৱত পিছপৰি নাথাকে তাৰ প্ৰতি ধ্যান ৰখাটো অতি গুৰুত্বপূৰ্ণ।
+ শেহতীয়া বছৰবোৰত ক্ৰীড়াক ৰাষ্ট্ৰীয় উন্নয়নৰ এক গুৰুত্বপূৰ্ণ শাখা হিচাপে গণ্য কৰা হৈছে।
+ ‘খেলো ইণ্ডিয়া'ৰ দৰে পদক্ষেপসমূহে দেশৰ ক্ৰীড়া ব্যৱস্থাত নতুন শক্তি প্ৰদান কৰাৰ লগতে সমগ্ৰ দেশতে ক্ৰীড়াৰ আন্তঃগাঁথনি শক্তিশালী কৰা হৈছে।

ভাৰতত আমি ৰাসায়নিক সাৰমুক্ত কৃষি আৰু প্ৰাকৃতিক কৃষিৰ ওপৰত জোৰ দিব লাগিব। প্ৰাকৃতিক কৃষি আৰু ইয়াৰ পৰা উৎপন্ন ৰাসায়নিক দ্ৰব্যবিহীন সামগ্ৰীয়ে আমাক বিশ্ব বজাৰত প্ৰৱেশৰ পথ মুকলি কৰিছে। ইয়াৰ সুবিধাৰ্থে চৰকাৰে সক্ৰিয়ভাৱে পৰিকল্পনা গ্ৰহণ কৰি আছে আৰু প্ৰমাণীকৰণ ব্যৱস্থা আৰু পৰীক্ষাগাৰৰ সুবিধাসহ প্ৰয়োজনীয় আন্তঃগাঁথনি গঢ়ি তুলিছে।

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী*

*(৬ মাৰ্চৰ বাজেট ৱেবিনাৰত)*



যুৱশক্তি তেতিয়াহে প্ৰকৃততে জাতীয় শক্তিলৈ ৰূপান্তৰ হয়, যেতিয়া সুস্থ, শৃংখলাবদ্ধ আৰু আত্মবিশ্বাসেৰে পৰিপূৰ্ণ হয়। যেতিয়া প্ৰতিষ্ঠান, উদ্যোগ আৰু শিক্ষাবিদসকলে সহযোগিতা কৰে, তেতিয়া পৰিৱৰ্তনৰ গতি ত্বৰান্বিত হয়। মোৰ বিশ্বাস যে বাজেটৰ পিছত অনুষ্ঠিত হ'বলগীয়া এইলানি ৱেবিনাৰে অনাগত সময়ৰ বাবে এক সুনিৰ্দিষ্ট দিশ প্ৰদান কৰিব।

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী*

*(৯ মাৰ্চৰ বাজেট ৱেবিনাৰত)*

পূৰণৰ বাবে শক্তিশালী মাধ্যম হিচাপে কাম কৰে। ‘সবকা সাথ, সবকা বিকাশ-জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ' শীৰ্ষক বিষয়বস্তুৰ সন্দৰ্ভত অনুষ্ঠিত ৱেবিনাৰত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিগত এটা দশকত দেশৰ সামূহিক মানসিকতাত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আহিছে। আজি প্ৰতিগৰাকী তৰুণ ভাৰতীয়ই কিবা এটা উদ্ভাৱনীমূলক কাম কৰিবলৈ হাবিয়াস কৰে। এই নতুন মানসিকতাই দেশৰ সৰ্বশ্ৰেষ্ঠ শক্তি আৰু উজ্জ্বল ভৱিষ্যৎ গঢ়াৰ বাবে আটাইতকৈ মূল্যৱান মুলধন। এই সমলসমূহৰ পৰা লাভান্বিত হ'বলৈ আমি আমাৰ শিক্ষা ব্যৱস্থাক ধাৰাবাহিকভাৱে আধুনিক কৰি তোলাটো অতি প্ৰয়োজনীয়।

পিএম মুদ্ৰা, ই-নাম আৰু ইউপিআই

# অৰ্থনৈতিক নিৰাপত্তাৰ এক সুদৃঢ় চক্ৰ

ভাৰত বিশ্বৰ দ্ৰুত বিকশিত প্ৰধান অৰ্থনীতিসমূহৰ ভিতৰত অন্যতম। প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ জৰিয়তে স্ব-নিয়োজন আৰু নিয়োগৰ উৎসাহ যোগোৱাই হওক বা ই-নামৰ দৰে মঞ্চৰ জৰিয়তে কৃষকসকলৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ সুবিধা প্ৰদানেই হওক, চৰকাৰে এক নতুন গতি প্ৰদান কৰিছে। তদুপৰি, সৰু আৰু ডাঙৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে যিকোনো সময়তে, যিকোনো স্থানতে পেমেণ্ট গ্ৰহণ কৰিব পৰাকৈ আৰু নাগৰিকসকলৰ বাবে লেনদেন সৰল কৰি তুলিব পৰাকৈ মুকলি কৰা ইউনিফাইড পেমেণ্ট ইণ্টাৰফেছে (ইউপিআই) ডিজিটেল লেনদেনসমূহক সহজলভ্য আৰু সমাৱেশী কৰি তুলিছে।

দেশৰ আৰ্থিক শক্তিৰ আভাস ইয়াৰ পৰাই পাব পাৰি যে যোৱা বছৰ ভাৰত বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছিল। যদি এই গতি অব্যাহত থাকে, তেন্তে আগন্তুক আঢ়ৈৰ পৰা তিনি বছৰৰ ভিতৰত ভাৰতৰ অৰ্থনীতি তৃতীয় স্থানত উপনীত হ'ব বুলি অনুমান কৰা হৈছে। তদুপৰি, ২০৩০ চনৰ ভিতৰত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি) ৭.৩ ট্ৰিলিয়ন আমেৰিকান ডলাৰ হ'ব। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (এমএছএমই)এ এই বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। দেশত ৬০ নিযুততকৈও অধিক এমএছএমই আছে। ইয়াৰ ফলত লাখ লাখ লোকৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে।

বিগত বৰ্ষৰ বাজেটত চৰকাৰে এমএছএমইৰ সংজ্ঞা সম্প্ৰসাৰিত কৰি ইয়াৰ বিকাশ অব্যাহত ৰখাৰ বাবে আত্মবিশ্বাস প্ৰদান কৰিছে। এক দশকৰ আগলৈকে এমএছএমইসমূহে সহজতে ঋণ লাভ কৰিব পৰা নাছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ঋণৰ সুবিধা সহজ হৈ পৰিছে, যাৰ ফলত দেশৰ অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পৰিছে। প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত ৩৭ লাখ কোটি টকাৰ ঋণ প্ৰদান কৰা হৈছে। ই কেৱল আৰ্থিক সহায়ৰ উৎসই হোৱা নাই, বৰঞ্চ ই হৈছে প্ৰতিজন ভাৰতীয়ৰ সপোন পূৰণৰ এক মাধ্যম।









প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা

# উদ্যমিতা বিপ্লৱৰ উদগনি

*২০১৫ চনৰ ৮ এপ্ৰিলত প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা শুভাৰম্ভ হোৱাৰ পিছৰে পৰা সমগ্ৰ দেশত উদ্যমিতা বিপ্লৱৰ সূচনা হৈছে। ই বিত্তীয় অন্তৰ্ভুক্তি আৰু তৃণমূল পৰ্যায়ত উদ্ভাৱনৰ শক্তি বৃদ্ধি কৰিছে। এই আঁচনিৰ জৰিয়তে ৫.৬ নিযুততকৈও অধিক ঋণ অনুমোদন জনোৱা হৈছে, যাতে উদ্যমিতা বৃদ্ধিৰ বাবে ৩৭ লাখ কোটিৰো অধিক টকা উপলব্ধ হয়।*

- প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত ক্ষুদ্ৰ আৰু লঘু উদ্যোগসমূহলৈ ১০ লাখ টকা পৰ্যন্ত বন্ধকীমুক্ত ঋণ প্ৰদান কৰা হয়। ইয়াৰ ফলত নিয়োগ আৰু স্ব-নিয়োজন সম্ভৱ হৈছে।
- ২০২৪-২৫ বিত্তীয় বৰ্ষত নতুন শ্ৰেণী তৰুণ প্লাছৰ অধীনত মুদ্ৰা ঋণৰ পৰিমাণ ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। এই ঋণ সেইসকল উদ্যোগীৰ বাবে উপলব্ধ, যিসকলে পূৰ্বৰ ঋণ সফলতাৰে পৰিশোধ কৰিছে।
- ২০২৫-২৬ বৰ্ষৰ বাজেট ঘোষণাত চৰকাৰে প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত হোমষ্টেৰ বাবে পৃথক শ্ৰেণী প্ৰৱৰ্তন কৰিছে। গ্ৰামাঞ্চলত অৱস্থিত হোমষ্টেসমূহ এই ঋণৰ বাবে যোগ্য।
- প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা আঁচনিৰ আৰম্ভণিৰ অধীন ২ জানুৱাৰী, ২০২৬লৈকে ৩৭.৩১ লাখ



**১৫.৬**

লাখ কোটি টকা এই আঁচনিৰ আৰম্ভণিৰ অধীনত ২০২৫ৰ অক্টোবৰলৈকে এছচি, এছটি, অ'বিচি আৰু সংখ্যালঘু উদ্যোগীসকলৰ ৩৩.৪ কোটি ঋণ একাউণ্টত মোকলাই দিয়া হৈছে।

**৬৯%** ক্ষুদ্ৰ ঋণ মহিলা উদ্যোগীয়ে লাভ কৰিছে।

ক্ষুদ্ৰ ব্যৱসায়ৰ সম্প্ৰসাৰণৰ বাবে এমএছএমইৰ সংজ্ঞা সলনি কৰা হৈছে। ক্ৰেডিট গেৰাণ্টিৰ সুৰক্ষা বৃদ্ধি কৰা হৈছে। মুদ্ৰা আঁচনিৰ অধীনত প্ৰথমবাৰৰ বাবে ব্যৱসায়ৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰা সাধাৰণ নাগৰিকসকলক কোনো ধৰণৰ বন্ধকী অবিহনে বৃহৎ পৰিমাণৰ ঋণ প্ৰদান কৰা হৈছে। ইয়াৰ ৫০%তকৈ অধিক হিতাধিকাৰী এছচি, এছটি আৰু অ'বিচি পৰিয়ালৰ। এই প্ৰচেষ্টাৰ লক্ষ্য হৈছে যাতে ক্ষুদ্ৰ উদ্যোগসমূহে যুৱক-যুৱতীসকলৰ বৃহৎ সপোন পূৰণ কৰিব পাৰে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

বিগত ১১-১২ বছৰত চৰকাৰে অৰ্থনৈতিক সুৰক্ষাৰ লগতে সামাজিক সুৰক্ষাৰ এটা চক্ৰ সৃষ্টি কৰি আহিছে, যাতে নিয়োগ আৰু স্ব-নিয়োজন বৃদ্ধি কৰিব পৰা যায়। এই নীতিসমূহে ভাৰতৰ অৰ্থনীতিত অভূতপূৰ্ব পৰিৱৰ্তন আনিছে। ২০৪৭ চনৰ ভিতৰত দেশৰ অৰ্থনৈতিক বিকাশ, গাঁথনিগত সংস্কাৰ আৰু সামাজিক প্ৰগতিৰ এক শক্তিশালী ভেঁটি গঢ় লৈ উঠিছে। লাখ লাখ লোকে সহজতে ঋণ লাভ কৰাই নহয়, ই-নামৰ দৰে মঞ্চই কৃষকসকলক তেওঁলোকৰ কৃষিজাত সামগ্ৰী বিক্ৰীৰ বাবে ১,৫২২টা মাণ্ডীলৈ যাবলৈ সুবিধা প্ৰদান কৰিছে, যাৰ জৰিয়তে তেওঁলোকক আৰ্থিক নিৰাপত্তা প্ৰদান কৰা হৈছে।

ভাৰতৰ ইউপিআইয়ে বিশ্ব ডিজিটেল ধনৰ লেনদেনৰ ধৰণ সলনি কৰিছে। এক সমীক্ষাত কোৱা হৈছে যে ২০৩০ চনৰ ভিতৰত ভাৰতৰ ডিজিটেল অৰ্থনীতি দেশৰ মুঠ অৰ্থনীতিৰ

## ৰাষ্ট্ৰীয় কৃষি বজাৰ

# কৃষকৰ বাবে বজাৰত সহজ প্ৰৱেশ

*ৰাষ্ট্ৰীয় কৃষি বজাৰ (ই-নাম)এ স্বচ্ছ আৰু প্ৰতিযোগিতামূলক ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে কৃষক আৰু ব্যৱসায়িক সংযুক্ত কৰিছে। ইয়াৰ ফলত তেওঁলোকে তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে অধিক সুযোগ লাভ কৰিছে আৰু সমগ্ৰ দেশৰ কৃষি বজাৰসমূহ সংযোজিত হৈছে। এই প্লেটফৰ্মে কৃষকসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ অধিক মূল্যত বিক্ৰীৰ স্বাধীনতা প্ৰদান কৰি অৰ্থনৈতিক সুৰক্ষাৰ এক চক্ৰ প্ৰদান কৰিছে...*



- ২০১৬ চনৰ ১৪ এপ্ৰিলত মুকলি কৰা এই মঞ্চত ৪.৪০ লাখ কোটি টকাৰ কৃষিজাত সামগ্ৰীৰ ব্যৱসায় কৰা হৈছে।
- ই-নাম ম'বাইল এপ্লিকেশ্যনৰ জৰিয়তে ২৪ ঘণ্টাই ন'টিফাইড সামগ্ৰীৰ বাবে বিনামূলীয়া ম'বাইল-ভিত্তিক মূল্য তথ্য সেৱা প্ৰদান কৰা।
- এই এপে কৃষকসকলক ১০০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত মাণ্ডিৰ মূল্য আৰু প্ৰৱেশযোগ্যতাৰ মানচিত্ৰ প্ৰদৰ্শন কৰে।
- কৃষিজাত সামগ্ৰীৰ গুণগত মান পৰীক্ষা কৰাত সহায়ক হৈছে। পৰিষ্কৰণ, শ্ৰেণীবিভাজন, বাছনি কৰা আৰু পেকেজিঙৰ আন্তঃগাঁথনি প্ৰদান কৰে।
- ই-নাম সম্পৰ্কীয় কৃষকৰ সমস্যা সমাধানৰ বাবে এটা টোল ফ্ৰী হেল্পলাইন নম্বৰ ১৮০০-২৭০-০২২৪ৰ ব্যৱস্থা কৰা হৈছে।
- মধ্যভোগীৰ ওপৰত কৃষকৰ নিৰ্ভৰশীলতা হ্ৰাস পাইছে। দৰদামৰ ক্ষমতা শক্তিশালী হৈছে। ই-নামে ভাৰতৰ কৃষি অৰ্থনীতিৰ দীৰ্ঘম্যাদী বিকাশত অৰিহণা আগবঢ়াইছে।

| ই-নাম নেটৱৰ্ক | |
|---|---|
| মাণ্ডি | ১৫২২ |
| ব্যৱসায় কৰিব পৰা কৃষিজাত সামগ্ৰী | ২৪৭ |
| Sৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল | ২৭ |
| পঞ্জীয়কৃত কৃষক | ১৮ নিযুত |
| ব্যৱসায়ী | ২,৭২,০০০ |
| কমিচন এজেণ্ট | ১,২০,০০০ |
| এফপিঅ'ছ | ৪,৬৯৮ |

*(২৮ ফেব্ৰুৱাৰী, ২০২৬লৈকে তথ্য)*

# এটা সৰল ডিজিটেল খুচুৰা পেমেণ্টৰ অভিজ্ঞতা

*ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেছে (ইউপিআই) খুচুৰা পেমেণ্ট সৰল কৰি তুলিছে। দৈনিক ৬৪০ নিযুত লেনদেন সম্পন্ন কৰা হয়। ২০১৬ চনৰ ১১ এপ্ৰিলত মুকলি কৰা ইউপিআই হৈছে মানুহৰ বাবে নিৰ্মিত প্ৰযুক্তিৰ কাহিনী, যিয়ে সমগ্ৰ বিশ্বৰ জীৱন আৰু অৰ্থনীতিৰ সৈতে সংযোগ স্থাপন কৰে...*

ইউপিআইৰ জৰিয়তে দৈনিক **৬৪০** নিযুততকৈও অধিক লেনদেন সম্পন্ন হয়।

**৬৫** নিযুত ব্যৱসায়ী, ৬৯১টা বেংক ইউপিআইৰ ওপৰত নিৰ্ভৰশীল

- ২০২৬ চনৰ জানুৱাৰী মাহত ২৮.৩৩ লাখ কোটি টকাৰ ২১.৭০ বিলিয়ন লেনদেন সম্পন্ন হৈছিল।
- ভাৰতত মুঠ খুচুৰা পেমেণ্ট লেনদেনৰ ৮১%তকৈ অধিক ইউপিআইৰ জৰিয়তে সম্পন্ন কৰা হয়।
- ভূটান, ফ্ৰান্স, মৰিচাছ, নেপাল, কাটাৰ, ছিংগাপুৰ, শ্ৰীলংকা আৰু ইউএইকে ধৰি আন ৮খন দেশতো ইউপিআই উপলব্ধ।
- আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে স্বীকাৰ কৰিছে যে লেনদেনৰ পৰিমাণৰ ভিত্তিত ইউপিআই হৈছে বিশ্বৰ সৰ্ববৃহৎ খুচুৰা দ্ৰুত পেমেণ্ট ব্যৱস্থা।
- এচিআই ৱৰ্ল্ডৱাইড ৰিপৰ্ট অনুসৰি বিশ্ব ৰিয়েল এষ্টেট পেমেণ্ট ছিষ্টেমৰ লেনদেনৰ পৰিমাণৰ প্ৰায় ৪৯%ই ইউপিআইৰ।



প্ৰায় এক পঞ্চমাংশ হ'ব। বিগত এটা দশকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে উল্লেখযোগ্য প্ৰযুক্তিগত অগ্ৰগতিৰ সাক্ষী হৈ নিজকে এক বিশ্বজনীন মহাশক্তি হিচাপে প্ৰতিষ্ঠা কৰিছে। ইয়ে অনানুষ্ঠানিক অৰ্থনীতিৰো নিয়ন্ত্ৰণ কৰিছে। প্ৰযুক্তিয়ে ধনৰ লেনদেন অধিক স্বচ্ছ কৰি তুলিছে। ●



PMO India
@PMOIndia

पीएम किसान सम्मान निधि योजना देश के छोटे किसानों के लिए, सामाजिक सुरक्षा का एक माध्यम बन गई है: PM @narendramodi in Guwahati



Rajnath Singh
@rajnathsingh

रक्षा क्षेत्र में भारत पूरी गति से आत्मनिर्भरता की ओर बढ़ रहा है, और इसके सकारात्मक परिणाम नज़र दिख रहे हैं। आज भारतीय नौसेना के लिए ऑपरेशनल और रणनीतिक भारतीय शिपयार्ड्स में ही बन रही हैं। हमारा लक्ष्य भारत है 2030 तक दुनिया के टॉप टेन शिपबिल्डिंग नेशन्स में स्थान बनाना और 2047 तक टॉप फाइव में पहुँचना।



Amit Shah
@AmitShah

UCC, डेमोग्राफिक चेंज की रोकथाम में भी कारगर सिद्ध होगा। मोदी सरकार द्वारा लाया गया हाई पावर डेमोग्राफी मिशन जल्द ही अपना काम शुरू करेगा।



Nitin Gadkari
@nitin_gadkari

गरीबों का स्वास्थ्य अच्छा रहे, उन्हें कम लागत में 💊 🩹 दवा उपलब्ध हो, इस उद्देश्य से प्रधानमंत्री श्री @narendramodi जी द्वारा कार्यान्वित 'प्रधानमंत्री भारतीय जन औषधि परियोजना' के अंतर्गत 🇮🇳 देश के गरीबों को दवाई औसत बाजार मूल्य की तुलना में 50 से 90 प्रतिशत तक सस्ती मिल रही है। सस्ती दवा के साथ साथ जन औषधि परियोजना देश भर में रोजगार सृजन में भी मददगार साबित हो रही है।



Shivraj Singh Chouhan
@ChouhanShivraj

आज हमारी बेटियाँ बड़ी संख्या में कृषि शिक्षा की ओर आगे बढ़ रही हैं। इसी दिशा में ICAR शीघ्र ही एक जेंडर प्लेटफॉर्म लॉन्च करने जा रहा है, जो पूरे देश के कृषि अनुसंधान नेटवर्क में महिला-केंद्रित शोध को नई गति और दिशा देगा।



Giriraj Singh
@girirajsinghbjp

माननीय प्रधानमंत्री जी के नेतृत्व में भारत में रोजगार के नए अवसर अब मेट्रो शहरों से आगे बढ़कर Tier-2 और Tier-3 शहरों में तेजी से विकसित हो रहे हैं।

देश के लगभग 70% रोजगार नॉन-मेट्रो शहरों में हैं, जिनमें Tier-3 शहरों की हिस्सेदारी 40% है। यह बढ़ती औद्योगिक गतिविधियों और युवाओं के लिए नए अवसरों का संकेत है।

## Modernising Delhi is essential to showcase India to the world: Modi



## PM: TN wants a govt for every family, not for just one family

### Positions NDA As Alternative To DMK In State



## Won't leave our people stranded in W Asia: Modi

### PM to give land deeds to Assam tea workers

## PM unveils ₹10,800-cr projects in Kerala, State govt boycotts event



Modi stressed the need to generate more power to support various industrial sectors as India emerges as a manufacturing hub

## PM asks ministers to keep watch on energy concerns

উল্লেখযোগ্য কৃতিত্ব

# ভাৰতত চিতাৰ সংখ্যা অৰ্ধশতক

১৯৫২ চনত পৃথিৱীৰ অন্যতম উল্লেখযোগ্য প্ৰজাতিৰ বন্যপ্ৰাণী চিতা ভাৰতত বিলুপ্ত ঘোষণা কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে প্ৰজেক্ট চিতা আৰম্ভ কৰে। ২০২২ চনৰ ছেপ্টেম্বৰ মাহত প্ৰধানমন্ত্ৰী মোদীয়ে নামিবিয়াৰ পৰা অনা আঠটা চিতা কুনো ৰাষ্ট্ৰীয় উদ্যানত মুকলি কৰি দিছিল। এতিয়া ভাৰতৰ মাটিত চিতাৰ সংখ্যা বাঢ়িছে... ২০২৬ চনৰ ৯ মাৰ্চত নামিবিয়াৰ চিতা 'জ্বালা'ই কুনো ৰাষ্ট্ৰীয় উদ্যানত পাঁচটা পোৱালি জন্ম দিয়াৰ পিছত ভাৰতত মুঠ চিতাৰ সংখ্যা ৫৩টালৈ বৃদ্ধি পায়...

- ২০২৩ চনত ৭০ বছৰতকৈও অধিক সময়ৰ পিছত প্ৰথমবাৰৰ বাবে ভাৰতৰ মাটিত চিতাৰ জন্ম হয়।
- ২০২৫ চনৰ নৱেম্বৰ মাহত ভাৰতৰ মাটিত জন্ম হোৱা প্ৰথম চিতা 'মুখী' পাঁচটা সুস্থ পোৱালিৰ মাক হ'ল।
- নামিবিয়াৰ পৰা অনা চিতা 'জ্বালা' এতিয়া তৃতীয়বাৰৰ বাবে মাতৃ হৈ পাঁচটা পোৱালি জন্ম দিছে।
- ভাৰতত জন্ম হোৱা পোৱালিৰ সংখ্যা ৩৩টালৈ বৃদ্ধি পাই মুঠ চিতাৰ সংখ্যা ৫৩টা হৈছে।
- দক্ষিণ আফ্ৰিকাৰ পৰা অহা চিতা গামিনীয়ে শেহতীয়াকৈ দ্বিতীয়বাৰৰ বাবে মাতৃ হৈ চাৰিটা পোৱালি জন্ম দিয়ে।
- ২০২৬ চনৰ ৯ ফেব্ৰুৱাৰীত ভাৰতে বটছৱানাৰ পৰা ৯টা চিতা লাভ কৰিছিল। সেইবোৰক কুনোৰ আছুতীয়া এলেকাত এৰি দিয়া হৈছিল।


পোৱালীৰ সৈতে জ্বালা



নিউ ইণ্ডিয়া
সমাচাৰ
পষেকীয়া

আৰ এন আই, DELHIN/2020/78811, ১-১৫ এপ্ৰিল, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date:19 March, 2026, Pages-44)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHED:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of
Communication, 2nd Floor, Soochna
Bhawan, New Delhi -110003